**আমেৰিকাৰ স্কুলত গুলীচালনা, নিহত ৩**

নিউয়ৰ্ক, ১৭ ডিচেম্বৰঃ হঠাতে বন্দুক উলিয়াই সহপাঠীক লক্ষ্য কৰি গুলীবৰ্ষণৰ পিছতে আত্মঘাতী ৩ পৃষ্ঠাত চাওক

www.newsnextone.com

# e সংবাদ

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

WEDNESDAY, DECEMBER 18, 2024 ■ বুধবাৰ, ২ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৪৫ Guwahati, Assam ।। মূল্যঃ এটকা

## পশ্চিমবংগত আৰক্ষীৰ জালত থলুৱাৰ মাটি কঢ়া সুৰজিৎ দে'



ই-সংবাদ, ১৭ ডিচেম্বৰঃ অনুসূচিত জাতিৰ বৃদ্ধা দুলু দাস শেষাংশ ৫ পৃষ্ঠাত

### ম'হ যুঁজ, বুলবুলি যুঁজৰ চৰকাৰী এছঅ'পি বাতিল গুৱাহাটী উচ্চ ন্যায়ালয়ৰ

## 'পেটা' জয়ী! মাঘত ম'হ, বুলবুলিৰ যুঁজ আৰু নহ'ব

ই-সংবাদ, ১৭ ডিচেম্বৰঃ পহিলা মাঘত অসমত প্ৰান্তে প্ৰান্তে অনুষ্ঠিত হয় ম'হ যুঁজ, বুলবুলি যুঁজ, কণী যুঁজ, নাওখেলকে ধৰি বিভিন্ন পৰম্পৰাগত



খেল-ধেমালি। ২০১৭ চনত গুৱাহাটী উচ্চ ন্যায়ালয়ে বুলবুলি আৰু ম'হ যুঁজ নিষিদ্ধ কৰিছিল। ৬ বছৰ ধৰি মাঘত শেষাংশ ৪ পৃষ্ঠাত

### অৱশেষত লোকসভাত উত্থাপন বহু চৰ্চিত বিধেয়কখন

# জেপিচিলৈ গ'ল 'এক দেশ এক নিৰ্বাচন' বিধেয়ক

## বিধেয়ক গৃহীত হ'লেও ২০৩৪ৰ পূৰ্বে বলবৎ নহয় এক দেশ এক নিৰ্বাচন

নতুন দিল্লী, ১৭ ডিচেম্বৰঃ অনুমান অনুসৰিয়েই মঙলবাৰে লোকসভাৰ মজিয়াত উত্থাপন কৰা হয় 'এক ৰাষ্ট্ৰ, এক নিৰ্বাচন' বিধেয়ক। বিধেয়কখন উত্থাপন হোৱাৰ শেষাংশ ৬ পৃষ্ঠাত



## থ্ৰি-হুইপ নমনা কুৰিজন সাংসদলৈ নটিচ বিজেপিৰ

ই-সংবাদ, ১৭ ডিচেম্বৰঃ অৱশেষত মঙলবাৰে লোকসভাত উত্থাপন কৰা হ'ল 'এক ৰাষ্ট্ৰ, এক নিৰ্বাচন' বিধেয়ক দেশৰ ৰাজনৈতিক ৭ পৃষ্ঠাত

## 'অইল'ৰ গুৰুত্বপূৰ্ণ পদবীত অসম সন্তান ত্ৰৈলোক্য বৰগোহাঁই




ই-সংবাদ, ১৭ ডিচেম্বৰঃ অসম সন্তান ত্ৰৈলোক্য বৰগোহাঁয়ে অইল ইণ্ডিয়া লিমিটেডৰ গুৰুত্বপূৰ্ণ পদবীত কাৰ্যনিৰ্বাহ শেষাংশ ২ নং পৃষ্ঠাত

### শুধৰণি

১৭ ডিচেম্বৰ সংখ্যাৰ প্ৰথম পৃষ্ঠাত 'জি-মেইল' শীৰ্ষক বাতৰিটোত ভুলৰশতঃ আন বাতৰি সন্নিবিষ্ট হৈছিল। শুদ্ধ বাতৰিটো আজি ৮নং পৃষ্ঠাত প্ৰকাশ কৰা হৈছে।

## ৰুছ পৰমাণু সুৰক্ষা বাহিনীৰ প্ৰধান নিহত



মস্কো, ১৭ ডিচেম্বৰঃ বোমা বিস্ফোৰণত নিহত হ'ল ৰাছিয়াৰ পাৰমাণৱিক সুৰক্ষা বিভাগৰ মুৰব্বী লেফটেনেণ্ট জেনেৰেল শেষাংশ ৩ পৃষ্ঠাত

## গ্ৰন্থমেলালৈ নাহে বাংলাদেশ

ই-সংবাদ, ১৭ ডিচেম্বৰঃ চানমাৰিৰ পৰিৱৰ্তে এইবাৰ অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব ২৭নং শেষাংশ ২ পৃষ্ঠাত

### কোকৰাঝাৰৰ খুটামাৰীত আজমলৰ বিশেষ মন্তব্য

## ভাৰত-পাকিস্তান এক হৈ থাকিলে বৃহৎ শক্তি হ'লহেতেন!


### মুছলমানৰ দুখৰ কথা কৈ কান্দিলে হুকহুকাই



ই-সংবাদ, কোকৰাঝাৰ, ১৭ ডিচেম্বৰঃ জমিয়ত উলেমাৰ উদ্দেশ্য আছিল দেশ এক হৈ থাকিব লাগে, বিভাজন হ'ব নালাগে। শেষাংশ ৭ পৃষ্ঠাত

### এক দেশ এক নিৰ্বাচন প্ৰসংগ

## সংসদত পুনৰ সৰৱ সাংসদ গৌৰৱ



নতুন দিল্লী, ১৭ ডিচেম্বৰঃ আজি আকৌ এবাৰ লোকসভাত কংগ্ৰেছক সন্মুখৰ পৰা নেতৃত্ব দিলে যোৰহাটৰ সাংসদ শেষাংশ ৪ পৃষ্ঠাত

### ভূটানী প্ৰধানমন্ত্ৰীক উপহাৰ দিলে অসমৰ পানীয়

## এডভাণ্টেজ আছামলৈ ভূটানক আমন্ত্ৰণ মুখ্যমন্ত্ৰীৰ



ই-সংবাদ, ১৭ ডিচেম্বৰঃ চুবুৰীয়া মৈত্ৰী দেশ ভূটানৰ সৈতে সম্পৰ্ক অধিক কটকটীয়া কৰাৰ লগতে বাণিজ্যিক শেষাংশ ৩ পৃষ্ঠাত

## ২২ বছৰৰ অন্তত দেশলৈ হামিদা বানু

মুম্বাই, ১৭ ডিচেম্বৰঃ ট্ৰেভেল এজেন্সীৰ প্ৰতাৰণা বলি হৈ ২২ বছৰ ধৰি পাকিস্তানত আবদ্ধ হৈ থাকি অৱশেষত ঘৰলৈ উভতিল হামিদা। শেষাংশ ৩ পৃষ্ঠাত

## কংগ্ৰেছ-অজাপ অখিলৰ বাৰেবিংকৰা কথাত অতিষ্ঠ!

### বিৰোধীক দেখি বিজেপিৰ হাঁহি

ই-সংবাদ, ১৭ ডিচেম্বৰঃ ৰাজ্যত এতিয়া ল'ৰা-ধেমালিত পৰিণত হৈছে বিৰোধীৰ মিত্ৰজোঁট। কংগ্ৰেছ, ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদে ৰাইজৰ মৌলিক শেষাংশ ৬ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গ্ৰন্থমেলালৈ নাহে বাংলাদেশ

ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ খানাপাৰত খেলপথাৰত। অসম চৰকাৰে প্ৰতিবছৰে পালন কৰি অহা গুৱাহাটী গ্ৰন্থমেলাক লৈ ইতিমধ্যে সাজু হৈছে আয়োজক। অসম প্ৰকাশন পৰিষদ, সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই যৌথভাৱে আয়োজন কৰা অসম গ্ৰন্থমেলা ২৭ ডিচেম্বৰৰ পৰা ৭ জানুৱাৰীলৈ ১২ দিনীয়াকৈ অনুষ্ঠিত হ'ব। কিন্তু এইবাৰ গ্ৰন্থপ্ৰেমীৰ বাবে আহিছে এক বেয়া খবৰ। কিয়নো এইবাৰ বাংলা ভাষা প্ৰেমী গ্ৰন্থ বিপণীৰ সংখ্যা অতি কম হ'ব। কিয়নো বাংলাদেশৰ গ্ৰন্থ বিপণীসমূহ গুৱাহাটীলৈ নাহে। দুয়োদেশৰ মাজত কূটনৈতিক সম্পৰ্ক দুৰ্বল হোৱাৰ ফলত বাংলাদেশৰ গ্ৰন্থ বিপণীসমূহে এইবাৰ অসম গ্ৰন্থমেলাত অংশ ল'বলৈ গুৱাহাটীলৈ নাহে। বাংলাদেশত গণ অভ্যুত্থানৰ পিছতে সংখ্যালঘূ হিন্দুৰ ওপৰত অত্যাচাৰ আৰম্ভ হৈছে। হিন্দুৰ মন্দিৰ, দোকান-ঘৰত আক্ৰমণৰ ঘটনা বৃদ্ধি পোৱাত অসম তথা ভাৰতত তাৰ প্ৰতিক্ৰিয়া দেখা গৈছে। অসম, পশ্চিমবংগ, ত্ৰিপুৰাত বাংলাদেশৰ হিন্দুৰ সুৰক্ষা নিশ্চিত কৰাৰ দাবীত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰা হয়। তাৰ মাজতে ত্ৰিপুৰাত বাংলাদেশৰ সহকাৰী উচ্চায়ুক্তৰ কাৰ্যালয়ত আক্ৰমণ কৰা হয়। একাংশ উগ্ৰ প্ৰতিবাদকাৰীয়ে বাংলাদেশৰ সহকাৰী উচ্চায়ুক্তৰ কাৰ্যালয়ত আক্ৰমণ কৰি আচ-বাব, নথি ভাঙি পেলাইছিল। তাৰ মাজতে অসমৰ ৰাজধানী গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া অসম গ্ৰন্থমেলালৈ বাংলাদেশৰ গ্ৰন্থ বিপণীসমূহে নহাৰ সিদ্ধান্ত লৈছে বুলি জানিব পৰা গৈছে। বাংলাদেশৰ কোনো প্ৰকাশন গোষ্ঠী তথা বিপণীয়ে সুৰক্ষাজনিত কাৰণত অসমলৈ আহিবৰ বাবে ইচ্ছুক নহয়। বাংলাদেশত হিন্দুৰ ওপৰত অত্যাচাৰ হৈ অহাত আৰু অসম তথা সেই ঘটনাৰ বিৰুদ্ধে উত্তৰ পূৰ্বাঞ্চলত প্ৰতিবাদ অব্যাহত থকাত বাংলাদেশৰ প্ৰকাশন গোষ্ঠী তথা বিপণীক অসম গ্ৰন্থমেলাৰ আয়োজকসকলে আমন্ত্ৰণ জনোৱা নাই। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই কয় যে অসম গ্ৰন্থমেলাত এইবাৰ নাথাকে বাংলাদেশৰ কোনো প্ৰকাশন প্ৰতিষ্ঠান তথা বিপণী। বাংলাদেশৰ প্ৰকাশন প্ৰতিষ্ঠানক নিমন্ত্ৰণ জানাব পৰা নাযায় তথা সম্ভৱ নহয়। বিক্ষিপ্ত ৰাজনৈতিক পৰিৱেশৰ বাবে বাংলাদেশৰ পৰিৱৰ্তে কলকাতাৰ গ্ৰন্থ প্ৰকাশন গোষ্ঠী তথা বিপণীক আমন্ত্ৰণ জনোৱা হৈছে। বাংলাদেশৰ পৰা কমেও ৭খন বিপণী গুৱাহাটীলৈ আহে যদিও এইবাৰ বাংলাদেশৰ বিপণী শূন্য হ'ব অসম গ্ৰন্থমেলা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'অইল'ৰ গুৰুত্বপূৰ্ণ পদবীত অসম সন্তান

কৰাৰ সুযোগ লাভ কৰিছে। ৰাজ্যৰ একালৰ মেধা ছাত্ৰ তথা আইআইটিয়ান ত্ৰৈলোক্য বৰগোহাঁইক অইল ইণ্ডিয়া লিমিটেডৰ সঞ্চালক (অপাৰেচন) নিযুক্তি দিয়া হৈছে। ডিব্ৰুগড় জিলাৰ ভাদৈ পাঁচআলিৰ বাসিন্দা ত্ৰৈলক্য বৰগোহাঁই অইল ইণ্ডিয়া লিমিটেডৰ গুৰুত্বপূৰ্ণ পদবী কাৰ্যনিৰ্বাহ কৰা অন্যতম অসমীয়া। আই.আই.টি. ৰুৰকীৰ পৰা এপ্লাইড জিঅ'লজীত এম.এছ.চি কৰি অইলত যোগদান কৰিছিল। চাকৰি কৰি থাকোঁতেই আমেৰিকা যুক্তৰাষ্ট্ৰৰ টেক্সাৰকানাৰ টেক্সাছ এ এণ্ড এম বিশ্ববিদ্যালয়ৰ পৰা এম.বি.এ. ডিগ্ৰী গ্ৰহণ কৰিছিল। অইলৰ চাকৰিত যোগদান কৰা ত্ৰৈলক্য বৰগোহাঁইক অইলৰ আগশাৰীৰ অভিযন্তা হিচাপে জনা যায়। তিনি দশকতকৈও অধিককাল অইলৰ বিভিন্ন পদ চম্ভালা বৰগোহাঁইক অভিজ্ঞ তেল আৰু গেছ পেছাদাৰী বুলি জনা যায়। ব্যাপক দক্ষতা আৰু নেতৃত্বৰ উৎকৰ্ষতা বৃদ্ধি কৰাত আৰু ইএণ্ডপি খণ্ডত কৌশলগত লক্ষ্য প্ৰাপ্তিত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ১৯৯৫ চনত অইলত কাৰ্যবাহী প্ৰশিক্ষাৰ্থী হিচাপে যোগদান কৰি অসম, ৰাজস্থান আৰু আফ্ৰিকান দেশ গেবনত কেইবাটাও গুৰুত্বপূৰ্ণ তেল আৰু গেছ আৱিষ্কাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ২০১৭ চনৰ পৰা ২০২১ চনলৈ অইলৰ পশ্চিম আফ্ৰিকান দেশ গেবন এক্সপ্লোৰেচন প্ৰকল্পৰ জেনেৰেল মেনেজাৰ আৰু মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিছে। কাৰ্যকালত তেওঁৰ নেতৃত্বত অইলে গুৰুত্বপূৰ্ণ কাৰিকৰী কুশলতা আহৰণ কৰিছিল। বৰগোহাঁয়ে অইলত এজন স্বীকৃত আৰু দীঘলীয়া কৰ্মৰাজিৰ ইতিহাসৰ সৈতে জড়িত বিষয়া। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় মঞ্চত অসংখ্য কাৰিকৰী দিশত ভাৰতৰ বিচক্ষণতা, পাৰদৰ্শিতা উপস্থাপন কৰাৰ লগতে কাৰিকৰী মঞ্চত অসংখ্য গৱেষণা-পত্ৰ উপস্থাপন কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। পেছাদাৰী সফলতা লাভ কৰাৰ ফলতে তেওঁক আজি গুৰুত্বপূৰ্ণ সঞ্চালক অপাৰেচন পদত নিযুক্তি দিয়া হৈছে। তেওঁ এ পি জি ইণ্ডিয়াৰ উপাধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰা আৰু জিঅ' ইণ্ডিয়া-২০২৪ আয়োজন কৰা কেন্দ্ৰীয় কাৰ্যবাহী সংস্থাৰ মুখ্য সদস্য আছিল। আমেৰিকান এছ'চিয়েচন অফ পেট্ৰ'লিয়াম জিঅ'লজিষ্ট আৰু চ'চাইটি অফ পেট্ৰ'লিয়াম ইঞ্জিনিয়াৰৰ সৈতেও জড়িত। আমেৰিকাত এমবিএ অধ্যয়নৰ সময়ত বৰগোহাঁইক শৈক্ষিক উৎকৰ্ষতাৰ বাবে এক সন্মানীয় সমাজ ডেল্টা-মু-ডেল্টাত সদস্যপদ প্ৰদান কৰা হৈছিল।

# গড়গাঁও মহাবিদ্যালয়ৰ নৱনিৰ্মিত ভৱন উদ্বোধন প্ৰাক্তন সাংসদৰ

**ই-সংবাদ, শিৱসাগৰ, ১৭ ডিচেম্বৰঃ** যোৰহাট লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈয়ে 'সাংসদ এলেকা উন্নয়ন পুঁজি' (২০২২-২৩ বৰ্ষ)ৰ পৰা আগবঢ়োৱা আৰ্থিক অনুদানেৰে শিৱসাগৰ জিলাৰ গড়গাঁও মহাবিদ্যালয়ত নতুনকৈ নিৰ্মাণ কৰা কেন্টিন ভৱনটি ১৬ ডিচেম্বৰত তেওঁ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। তপন কুমাৰ গগৈয়ে ভৱনটো উদ্বোধন কৰি গড়গাঁও মহাবিদ্যালয়ত এই পুঁজিৰ যথোচিত ব্যৱহাৰে তেওঁক আনন্দিত কৰিছে বুলি অনুভৱ ব্যক্ত কৰে। গড়গাঁও মহাবিদ্যালয় পৰিয়ালৰ সামূহিক প্ৰচেষ্টাত সৰ্বাংগসুন্দৰ ৰূপত জিলিকি উঠা মহাবিদ্যালয়খন আৰু অধিক জাকত জিলিকা কৰি তুলিবলৈ আগন্তুক দিনতো তেওঁ আৰু সহায়-সহযোগৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। বক্তব্যত তেওঁ সমষ্টিটোৰ অন্তৰ্গত বিভিন্ন মহাবিদ্যালয়লৈ সাংসদ এলেকা উন্নয়ন পুঁজিৰ পৰা অনুদান আগবঢ়োৱাৰ কথা উল্লেখ কৰে। তদুপৰি অসম ঔদ্যোগিক উন্নয়ন নিগমৰ অধ্যক্ষৰ দায়িত্বত কাৰ্যনিৰ্বাহ কৰা তপন কুমাৰ গগৈয়ে অসমৰ ঔদ্যোগিক উন্নয়নৰ সম্ভাৱনা সম্পৰ্কত অভিমত আগবঢ়াই সকলোকে এইক্ষেত্ৰত আগবাঢ়ি আহিবলৈ আহ্বান জনায়। গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক ড০ সব্যসাচী মহন্তই প্ৰতিষ্ঠা কালৰেপৰা সাম্প্ৰতিক সময়লৈকে বিদ্যায়তনিক তথা আন্তঃগাঁথনিগত দিশত মহাবিদ্যালয়খনৰ উত্তৰণমুখী যাত্ৰাৰ আভাস দাঙি ধৰি এই উত্তৰণ যাত্ৰাত আৰ্থিক অনুদানেৰে সহযোগিতা আগবঢ়োৱা যোৰহাট লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। তদুপৰি এইক্ষেত্ৰত বিভিন্নধৰণে সহযোগিতা আগবঢ়োৱা সমাজকৰ্মী সমীৰণ বৰদলৈ, মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি বিমান বৰুৱা আদিলৈ বিশেষ ধন্যবাদ জ্ঞাপন কৰি শিক্ষক, শিক্ষাৰ্থী, কৰ্মচাৰী, স্থানীয় ৰাইজ, প্ৰশাসন আদি সকলোৰে একত্ৰিত প্ৰচেষ্টাত মহাবিদ্যালয়খন উচ্চশিক্ষাৰ সৰ্বোৎকৃষ্ট কেন্দ্ৰত পৰিণত হোৱাৰ কামনা কৰে। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি বিমান বৰুৱা, উপাধ্যক্ষ দিগন্ত কোঁৱৰ, সদৌ অসম ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলাৰ সভাপতি মানৱ হাজৰিকা, সমাজকৰ্মী সমীৰণ বৰদলৈৰ লগতে বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী তথা যথেষ্ট সংখ্যক শিক্ষাৰ্থীৰ উপস্থিতিত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানটিৰ আঁত ধৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক প্ৰণৱ দুৱৰাই।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এডভাণ্টেজ আছামলৈ ভূটানক আমন্ত্ৰণ

সম্পৰ্ক গঢ়ি তুলিবলৈ এডভাণ্টেজ আছাম-২.০ত ভূটানৰ প্ৰতিনিধিক উপস্থিতি থাকিবলৈ আমন্ত্ৰণ জনাইছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। তিনিদিনীয়া কাৰ্যসূচীৰে সহধৰ্মিনীসহ ভূটানত উপস্থিত হোৱা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ভূটানৰ প্ৰধানমন্ত্ৰী দাছো ছেৰিং টবগেক সাক্ষাৎ কৰি এডভাণ্টেজ আছাম-২.০ত অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীয়ে ভূটানৰ প্ৰধানমন্ত্ৰী দাছো ছেৰিং টবগেক কয় যে আপুনি এডভাণ্টেজ আছাম-২.০ত অংশগ্ৰহণ কৰি সৌষ্ঠৱ বৃদ্ধি কৰিব। আজি মুখ্যমন্ত্ৰীয়ে ভূটান ভ্ৰমণৰ দ্বিতীয়টো দিনত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ভূটানৰ ১১৭ সংখ্যক ৰাষ্ট্ৰীয় দিৱস উপলক্ষে আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত হোৱা হিমন্ত বিশ্ব শৰ্মাই আজি ভূটানৰ ৰাষ্ট্ৰীয় দিৱসৰ পেৰেডত উপস্থিত থাকে। থিম্ফুৰ চাংলিমিথাং ষ্টেডিয়ামত অনুষ্ঠিত ১১৭সংখ্যক ৰাষ্ট্ৰীয় দিৱসত ভূটীয়া ৰজা জিগমে খেছাৰ নামগ্যাল ৱাংচুক আৰু প্ৰধানমন্ত্ৰী শ্বেৰিং টবগেৰ সৈতে মুখ্যমন্ত্ৰীয়ে ভূটানী সেনা বাহিনীৰ অভিবাদন গ্ৰহণ কৰে। অনুষ্ঠানত ভূটানৰ বৰ্ণিল সংস্কৃতি প্ৰদৰ্শন কৰা হয়। ভূটানৰ ৰাজকুমাৰ আৰু ৰাজকুমাৰী উপস্থিত থকা সেনাৰ প্ৰদৰ্শনীত আটকধুনীয়া শোভাযাত্ৰা, সেনাৰ বিশেষ পেৰেডে হাজাৰ হাজাৰ লোকক আকৰ্ষিত কৰে। ভূটানৰ প্ৰধানমন্ত্ৰী দাছো ছেৰিং টবগে' আৰু পত্নী তাছি ডোমাকো সাক্ষাৎ কৰে অসমৰ মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ পত্নীৰ বাবে ভূটানৰ প্ৰধানমন্ত্ৰী দাছো ছেৰিং টবগে' আৰু পত্নী তাছি ডোমাই মধ্যাহ্ন ভোজনৰ আয়োজন কৰিছিল। সেই সময়ত ভূটানৰ প্ৰধানমন্ত্ৰী আৰু পত্নীক মুখ্যমন্ত্ৰীয়ে অসমৰ বয়ন সামগ্ৰী আৰু অসমৰ পৰম্পৰাগত পানীয় উপহাৰ স্বৰূপে প্ৰদান কৰে। ভূটানত মুখ্যমন্ত্ৰীয়ে কয় যে ভূটান যাত্ৰাৰ আন এক স্মৰণীয় অধ্যায় হিচাপে ৰাষ্ট্ৰখনৰ প্ৰধানমন্ত্ৰী দাছো ছেৰিং টবগে'ই মোৰ সহধৰ্মিণী ৰিণিকিৰ সৈতে আমাৰ বাবে ভোজমেলৰ ব্যৱস্থা কৰাত কৃতজ্ঞতা জ্ঞাপন কৰিছো। ভূটান আৰু অসমৰ পৰম্পৰৰ বিকাশ-উন্নয়নমূলক আকাংক্ষাৰ পূৰণৰ হকে আলোচনাও কৰে মুখ্যমন্ত্ৰীয়ে। ভূটানৰ নৃপতি জিগমে খেছাৰ নামগ্যাল ৱাংচুক আৰু ৰাণী জেটচুন পেমাক থিম্ফুৰ তাছিচোডজঙৰ 'দ্য গ'ল্ডেন থ্ৰ'ন'ত সাক্ষাৎ কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে থিম্ফুত ‘এডভাণ্টেজ আছাম ২.০’ ৰ প্ৰচাৰৰ বাবে ৰোড শ্ব'ত অংশ লয়। ভূটান আৰু ভাৰত তথা অসমৰ সম্পৰ্কত এই পদক্ষেপে যথেষ্টখিনি সহায় কৰিব বুলি আশা কৰিছে মুখ্যমন্ত্ৰীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আমেৰিকাৰ স্কুলত গুলীচালনা, নিহত ৩

হ'ল এগৰাকী কিশোৰী ছাত্ৰী! সোমবাৰে আমেৰিকাৰ উইচকনচিনৰ মেডিচনৰ এবুণ্ডেণ্ট লাইফ খ্ৰীষ্টান স্কুলত সংঘটিত হয় এই কৰুণ ঘটনা। আৰক্ষীৰ সূত্ৰই জনোৱা মতে, এই গুলীচালনাৰ ঘটনাত তিনিজন লোক নিহত হোৱাৰ লগতে আন ৬ জন আহত হৈছে। ভাৰতীয় সময় অনুসৰি সোমবাৰে নিশা সংঘটিত হয় এই ঘটনা। সেই বিদ্যালয়ৰ ১৭ বছৰীয়া এগৰাকী ছাত্ৰী আছিল আক্ৰমণকাৰী। বিদ্যালয়ৰ ভিতৰত সহপাঠীক লক্ষ্য কৰি গুলীবৰ্ষণৰ পিছতে নিজেও আত্মহত্যা কৰে ছাত্ৰীগৰাকীয়ে। নিহতসকলৰ ভিতৰত আছে এজন শিক্ষক আৰু এজন ছাত্ৰ। ইফালে আহত ৬জনক ওচৰৰ চিকিৎসালয়লৈ লৈ যোৱা হয়। মেডিচন আৰক্ষীৰ মতে, বিদ্যালয়খনত মুঠ ৪০০ ছাত্ৰ-ছাত্ৰী আছে, আৰু বৰদিনৰ ছুটিৰ পূৰ্বে স্কুলৰ শেষ সপ্তাহ আছিল। কিন্তু এনে ভয়াবহ ঘটনাই বিদ্যালয়খনত আতংকৰ সৃষ্টি কৰিছে। আৰক্ষীয়ে ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে, লগতে ছাত্ৰীগৰাকীৰ সহপাঠী আৰু শিক্ষককো জেৰা অব্যাহত ৰাখিছে। অৱশ্যে ছাত্ৰীগৰাকীয়ে কিয় এনে কাৰ্য সংঘটিত কৰিলে সেয়া এতিয়াও জানিব পৰা হোৱা নাই। ইফালে বিদায়ী ৰাষ্ট্ৰপতি জো বাইডেনে এই কাণ্ডক লৈ শোক প্ৰকাশ কৰে আৰু উইচকনচিনৰ গৱৰ্ণৰ টনি এভাৰ্ছেও ইয়াক “ভয়াবহ” বুলি অভিহিত কৰে। তেওঁ কয় যে চৰকাৰে মৃতকৰ পৰিয়ালৰ কাষত থিয় দিছে। মন কৰিবলগীয়া যে এই কাণ্ড এই বছৰ আমেৰিকাত সংঘটিত হোৱা ৩৫ সংখ্যক গণহত্যা। যোৱা বছৰ আমেৰিকাত বিদ্যালয়ত ৩৪৯টা গুলীচালনাৰ ঘটনা সংঘটিত হৈছিল আৰু কেৱল এই বছৰ সেই সংখ্যা ৩২২ত উপনীত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ২২ বছৰৰ অন্তত দেশলৈ হামিদা বানু

উল্লেখ্য যে, মুম্বাইৰ বাসিন্দা হামিদা বানুক ডুবাইত চাকৰি প্ৰদানৰ প্ৰলোভনেৰে ২০০২ চনত পাকিস্তানৰ সিন্ধু প্ৰদেশৰ হায়দৰাবাদলৈ লৈ গৈছিল ট্ৰেভেল এজেণ্টে। সেই সময়ত ৰান্ধনী কাম কাম কৰা হামিদা তাৰ পিছৰে পৰাই পাকিস্তানত আৱদ্ধ হৈ পৰে। শেহতীয়াকৈ ২০২২ চনত স্থানীয় ইউটিউবাৰ ৱালিউল্লাহ মাৰুফৰ এটা ভিডিঅ'ৰ জৰিয়তে দুয়োখন দেশতে বিয়পি পৰে হামিদাৰ কাহিনী। এই ভিডিঅ'টোৰ পিছতে হামিদাৰ ভাৰতত থকা পৰিয়ালে তেওঁৰ সন্ধান চলায় আৰু যোগাযোগ কৰে। অৱশেষত ২২টা দীঘলীয়া বছৰৰ অন্তত স্বদেশলৈ উভতনি যাত্ৰা আৰম্ভ হয় হামিদাৰ। সেই সময়ৰ তৰুণী হামিদা এতিয়া এগৰাকী আদহীয়া মহিলা হৈ পৰিছে। সোমবাৰে হামিদা বানুৱে ৱাগাহ সীমান্ত পাৰ হৈ নিজৰ গৃহভূমিত ভৰি দিছে। তেওঁক বিদায় দিবলৈ পাকিস্তানৰ বৈদেশিক মন্ত্ৰালয়ৰ বিষয়াসকলো উপস্থিত থাকে। উল্লেখ্য যে, স্বামীৰ মৃত্যুৰ পিছত মুম্বাইত ৰান্ধনী হিচাপে চাৰিটা সন্তানক ডাঙৰ-দীঘল কৰা বানুৱে পাকিস্তানলৈ যোৱাৰ পিছত দ্বিতীয়বাৰৰ বাবে বিবাহপাশত আবদ্ধ হৈছিল। ক'ভিড-১৯ৰ সময়ত তেওঁৰ দ্বিতীয় স্বামীৰো মৃত্যু হয়। ইয়াৰ পিছত তেওঁ সতি-সন্ততিৰ সৈতে কৰাচীত বাস কৰিছিল। ঘৰলৈ উভতি আহি বানুৱে সংবাদ মাধ্যমৰ আগত কয়, "মই কেতিয়াও ভবা নাছিলো যে মই এই দিনটো দেখিম! ঘৰলৈ উভতি অহাৰ সকলো আশা হেৰুৱাই পেলাইছিলোঁ। ইমান বছৰৰ পাছত পৰিয়ালৰ সৈতে পুনৰ মিলিত হ'বলৈ মই সুখী।”

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰুছ পৰমাণু সুৰক্ষা বাহিনীৰ প্ৰধান

ইগ'ৰ কিৰিলভ। মঙলবাৰে মস্কোত এক বৃহৎ বিস্ফোৰণ সংঘটিত হয়। আন্তঃৰাষ্ট্ৰীয় খবৰ অনুসৰি এখন ইলেক্ট্ৰিক স্কুটাৰত সংস্থাপিত বিস্ফোৰক বিস্ফোৰণৰ ফলত মৃত্যু ঘটে ইগ'ৰ কিৰিলভ আৰু তেওঁৰ এজন সহায়ক। উল্লেখ্য যে, লেফটেনেণ্ট জেনেৰেল ইগ'ৰ কিৰিলভ ৰাছিয়াৰ পাৰমাণৱিক, জৈৱিক আৰু ৰাসায়নিক অস্ত্ৰ বাহিনীৰ দায়িত্বত আছিল। ক্ৰেমলিনৰ পৰা প্ৰায় সাত কিলোমিটাৰ দক্ষিণ-পূবে অৱস্থিত ৰিয়াজানস্কি প্ৰস্পেক্ট হাউছিং এষ্টেটৰ বাহিৰত সংঘটিত হয় এই বৃহৎ বিস্ফোৰণ। ৰাছিয়াৰ তদন্তকাৰী সংস্থাই নিশ্চিত কৰিছে যে ৰাছিয়াৰ সশস্ত্ৰ বাহিনীৰ ৰাসায়নিক, জৈৱিক আৰু পাৰমাণৱিক অস্ত্ৰ সুৰক্ষাৰ মুৰব্বী ইগ'ৰ কিৰিলভ আৰু তেওঁৰ সহায়ক এই বোমা বিস্ফোৰণত নিহত হৈছে। ৰাছিয়াৰ সংবাদ মাধ্যমে বিস্ফোৰণস্থলী আৰু স্কুটাৰখনৰ ধ্বংসাৱশেষৰ ফটো প্ৰকাশ কৰে, য'ত দুটা অংগ বিচ্ছিন্ন মৃতদেহ পৰি থকা দেখা যায়। আৰক্ষীয়ে ঘটনাস্থলী ঘেৰাও কৰাৰ লগতে অপৰাধমূলক গোচৰো ৰুজু কৰিছে। ৰাছিয়াৰ ৰেডিঅ'লজিকেল, কেমিকেল আৰু বায়'লজিকেল ডিফেন্স ফৰ্চৰ মুৰব্বীৰ মৃত্যুত আতংকৰ পৰিৱেশৰ সৃষ্টি হৈছে। এই বিস্ফোৰণৰ মাত্ৰ এদিন পূৰ্বে ৰাছিয়াৰ বিৰুদ্ধে নিষিদ্ধ অস্ত্ৰ ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰিছিল ইউক্ৰেইনে। কিন্তু এই অভিযোগ অস্বীকাৰ কৰে ৰাছিয়াই। ইয়াৰ মাত্ৰ ২৪ ঘণ্টাৰ ভিতৰতে মস্কো কঁপাই তোলা এই বিস্ফোৰণ কাণ্ডক লৈ এতিয়া আন্তঃৰাষ্ট্ৰীয় মহলতো উত্তেজনা বৃদ্ধি পাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘পেটা’ৰেই জয়! ম’হ, বুলবুলিৰ যুঁজ আৰু

অসমত অনুষ্ঠিত হোৱা নাছিল ম’হ যুঁজ আৰু বুলবুলি যুঁজ। কিন্তু ২০২৩ চনৰ ২৭ ডিচেম্বৰত অসম চৰকাৰে এছঅ’পি জাৰি কৰি বুলবুলি, ম’হ যুঁজ অনুষ্ঠিত কৰাৰ অনুমতি দিছিল। যোৱা বছৰ জানুৱাৰীত মৰিগাঁৱৰ আহগুৰিত খোদ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা উপস্থিত হৈ গোনামহৰ যুঁজ প্ৰত্যক্ষ কৰিছিল। আইনগতভাৱে নিষিদ্ধ ম’হ যুঁজ আৰু বুলবুলি যুঁজ অনুষ্ঠিত কৰাৰ বাবে বিশেষ এছঅ’পি উলিয়াই নিৰ্দেশনা জাৰি কৰাত ৬ বছৰৰ মূৰত হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰত অনুষ্ঠিত হৈছিল বুলবুলিৰ যুঁজ। পিপল ফৰ দা এথিকেল ট্ৰিটমেণ্ট অফ এনিমেলচ চমুকৈ পেটাই পুনৰ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাষ চপাত চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে কঠোৰ সিদ্ধান্ত লয় আদালতে। 'পেটা’ই দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি বিগত বছৰত অসম চৰকাৰে জাৰি কৰা ম’হ যুঁজ আৰু বুলবুলি যুঁজৰ বাবে আজি এছঅ’পি বাতিল কৰে। ২০২৩ চনৰ ২৭ ডিচেম্বৰত অসম চৰকাৰে জাৰি কৰা এছঅ’পি বাতিল কৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ দেৱাশীষ বৰুৱাৰ আদালতে। পেটা ইণ্ডিয়াৰ হৈ আদালতত যুক্তি দৰ্শাইছিল জ্যেষ্ঠ অধিবক্তা দিগন্ত দাস। ম'হ আৰু বুলবুলি যুঁজে পশুৰ প্ৰতি নিষ্ঠুৰতা ৰোধ কৰিবলৈ থকা প্ৰতিৰোধ আইন-১৯৬০ উলংঘা আৰু বুলবুলি যুঁজে বন্যপ্ৰাণী সুৰক্ষা আইন-১৯৭২ উলংঘা কৰা বুলি অধিবক্তা দিগন্ত দাসে দিয়া যুক্তি আদালতে গ্ৰহণ কৰি চৰকাৰৰ এছঅ’পি বাতিল কৰে। উল্লেখ্য যে, মাঘ বিহু তথা পহিলা মাঘত অসমৰ বিশেষকৈ হাজো আৰু আঁহতগুৰিত ঐতিহাসিক ম’হ যুঁজ অনুষ্ঠিত কৰিবলৈ এছঅ’পি জাৰি কৰি চৰকাৰে অনুমতি দিছিল। উচ্চ ন্যায়ালয়ে এছঅ’পিৰ জাৰি কৰা কাৰ্যক ভাৰতীয় পশু কল্যাণ পৰিষদ বনাম এ. নাগাৰাজাৰ গোচৰৰ উচ্চতম ন্যায়ালয়ৰ ৭ মে ২০১৪ৰ ৰায় উলংঘন কৰা বুলি গণ্য কৰে। পেটা ইণ্ডিয়াই আবেদনত উল্লেখ কৰিছিল যে আতংকিত আৰু গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত ম'হক প্ৰহাৰ কৰি যুঁজিবলৈ বাধ্য কৰোৱা হয়। ভোকত আৰু নিচাগ্ৰস্ত বুলবুলিক খাদ্যৰ বাবে যুঁজিবলৈ বাধ্য কৰা হয়। পেটা ইণ্ডিয়াই ন্যায়ালয়ে নিষিদ্ধ কৰাৰ পিছতো এছঅ’পি জাৰি কৰাত অবৈধভাৱে বন্যপ্ৰাণীৰ যুঁজ অনুষ্ঠিত কৰাৰ উদাহৰণ দাখিল কৰে। যুঁজৰ পুনৰ অনুমতি দিয়াত প্ৰচুৰ জন্তুৰ উৎপীড়ন হৈছিল বুলি কৈ পেটা ইণ্ডিয়াৰ অৰুণিমা কেডিয়াই কয় যে ম'হ আৰু বুলবুলি হৈছে নিমাখিত জন্তু। কোনো নিমাখিত জন্তুৱে আঘাতৰ যন্ত্ৰণা আৰু সন্ত্ৰাস অনুভৱ কৰি জনসমাগমৰ সন্মুখত ৰক্তক্ষয়ী সংঘৰ্ষত লিপ্ত হ’বলৈ নিবিচাৰে। অৰুণিমা কেডিয়াই কয় যে এছঅ’পিত কেন্দ্ৰীয় আইন আৰু উচ্চতম ন্যায়ালয়ৰ আদেশৰ স্পষ্ট উলংঘন হৈছে। যুঁজত নিষ্ঠুৰতা নিষিদ্ধ কৰাৰ বাবে পেটা ইণ্ডিয়াই উচ্চ ন্যায়ালয়ক কৃতজ্ঞতা জ্ঞাপন কৰে। যোৱা বছৰৰ ১৬ জানুৱাৰীত মৰিগাঁও জিলাৰ আঁহতগুৰিত ম'হৰ যুঁজক লৈ কৰা সংগ্ৰহ কৰা তথ্যত প্ৰকাশ পাইছিল যে ম'হক যুঁজিবলৈ প্ৰৰোচিত কৰিবলৈ, মালিকসকলে লাঠিৰে প্ৰহাৰ কৰিছিল। যুঁজত নামিবলৈ প্ৰহাৰ কৰি লাঠিৰে আঘাত কৰিছিল। ইটো ম’হক সিটো ম’হৰ ওচৰলৈ গৈ যুঁজত লিপ্ত হ’বৰ বাবে নাকত পঘাৰ নাকী লগাই টনা হৈছিল। ইমানে নহয়, ম’হৰ মালিকে যুঁজ চলি থকাৰ সময়তে ম'হক লাঠিৰে প্ৰহাৰ কৰি নিয়ন্ত্ৰণ কৰিছিল। ম'হৰ শিঙত ধৰি যুঁজত লিপ্ত কৰোৱা হৈছিল। গলপাতা, কাণ, মুখ আৰু মূৰত ৰক্তক্ষয়ী আঘাত কৰা হৈছিল। যুঁজৰ সময়ত ম’হৰ শিঙ ভাঙি যোৱাৰ কথাও আদালতত উত্থাপন কৰা হৈছিল। ১৫ জানুৱাৰীত হাজোত অনুষ্ঠিত বুলবুলি চৰাইৰ যুঁজৰ সময়ত সংগ্ৰহ কৰা তথ্য মতে বন্যপ্ৰাণী সুৰক্ষা আইন-১৯৭২ৰ অনুসূচী ২ৰ অধীনত সুৰক্ষিত বুলবুলিক প্ৰাকৃতিক প্ৰবৃত্তিৰ বিৰুদ্ধে খাদ্যক লৈ অবৈধভাৱে বন্দী কৰি যুঁজিবলৈ বাধ্য কৰোৱাৰ তথ্য প্ৰকাশ পায়। যুঁজ অনুষ্ঠিত হোৱাৰ দিনটোৰ পূৰ্বে বুলবুলি বন্দী কৰা হয় আৰু এই বন্দীত্বক চিকাৰ বুলি গণ্য কৰিব পাৰি বুলি কোৱা হৈছে। বুলবুলিক যুঁজিবলৈ বনৌষধি, কল, জালুক, লং আৰু ডালচেনি ভক্ষণ কৰিবলৈ দিয়া হয়। বুলবুলিক প্ৰায় ৪০ ঘণ্টাৰ পূৰ্বৰে পৰা ভোকত ৰখা হয়। যুঁজৰ সময়ত ভোকাতুৰ বুলবুলিৰ সন্মুখত কলৰ টুকুৰা ৰাখি পৰস্পৰে পৰস্পৰক আক্ৰমণ কৰিবলৈ বাধ্য কৰোৱা হয়। প্ৰায় ৫ৰ পৰা ৩০ মিনিট ধৰি চলা যুঁজত বুলবুলি ভাগৰুৱা হৈ পৰে আৰু মৃত্যু পৰ্যন্ত হয় বুলি পেটাই তথ্য দাখিল কৰিছিল। পেটা ইণ্ডিয়াই উচ্চ ন্যায়ালয়ত দাখিল কৰা আবেদনত আৰু উল্লেখ কৰি কয় যে ম'হ আৰু বুলবুলি যুঁজে ভাৰতৰ সংবিধান উলংঘা কৰি আহিছে। পশুৰ প্ৰতি নিষ্ঠুৰতা প্ৰতিৰোধ আইন-১৯৬০ আৰু উচ্চতম ন্যায়ালয়ৰ ৰায় উলংঘা হৈছে। পেটা ইণ্ডিয়াৰ মতে, এনে যুঁজ স্বাভাৱিকতে নিষ্ঠুৰ। যুঁজিবলৈ বাধ্য কৰোৱা জন্তুৰ অপৰিসীম যন্ত্ৰণা, আঘাতে ভাৰতীয় সংস্কৃতি আৰু পৰম্পৰাত নিহিত অহিংসা আৰু সহানুভূতিৰ নীতিক বিৰোধিতা কৰে বুলিও কয় পেটা ইণ্ডিয়াই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সংসদত পুনৰ সৰৱ সাংসদ গৌৰৱ

গৌৰৱ গগৈয়ে। আজি ‘এক দেশ এক নিৰ্বাচন’ বিধেয়ক উত্থাপনৰ মঞ্জুৰি সন্দৰ্ভত হোৱা বিতৰ্ক আৰু ভোটিঙৰ সময়ত গৌগৱ গগৈয়ে মুখ্য বিৰোধী দলটোক নেতৃত্ব দিয়া দেখা যায়। বিজেপি চৰকাৰে উত্থাপন কৰা কেইবাখনো বিধেয়ক সন্দৰ্ভত গগৈয়ে নেতৃত্ব লয়। ১২৯ তম সংবিধান সংশোধনী বিধেয়ক, দিল্লীৰ ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চল চৰকাৰ সংশোধনী বিধেয়ক, জম্মু আৰু কাশ্মীৰ পুনৰ্গঠন আইন ২০১৯ সংশোধনী বিধেয়ক সন্দৰ্ভত কংগ্ৰেছৰ হৈ বিৰোধ কৰে। এইকেইখনে বিধয়েক গৃহীত হ’লে নাগৰিকে লাভ কৰা ভোটদানৰ অধিকাৰত আঘাত কৰিব বুলি যুক্তি দিয়ে গগৈয়ে। মানুহৰ সাংবিধানিক অধিকাৰ হনন কৰালৈ চাই বিধেয়কৰ বিৰোধ কৰে সাংসদগৰাকীয়ে। কেতিয়া নিৰ্বাচন হ’ব, কেনেদৰে নিৰ্বাচন পৰিচালনা হ’ব সেয়া নিৰ্বাচন আয়োগ সিদ্ধান্ত লয়। আইন সংশোধন হ’লে নিৰ্বাচন আয়োগক অত্যাধিক ক্ষমতা দিয়া হ’ব। এই সংশোধনীৰ দ্বাৰা নিৰ্বাচন আয়োগৰ পৰা ৰাষ্ট্ৰপতিয়ে পৰামৰ্শ ল’ব পাৰিব। কিন্তু পূৰ্বে ৰাষ্ট্ৰপতিয়ে কেন্দ্ৰীয় মন্ত্ৰীসভাৰ পৰা পৰামৰ্শ লৈছিল। ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ৭৪ৰ আৰু ৩৫৬ প্ৰসংগ উল্লেখে কৰি গগৈয়ে কয় যে এতিয়া ৰাষ্ট্ৰপতিয়ে নিৰ্বাচন আয়োগৰ পৰামৰ্শত সিদ্ধান্ত ল’ব পাৰিব। নিৰ্বাচন আয়োগ আৰু ৰাষ্ট্ৰপতিৰ কাৰ্যালয়ক অতিৰিক্ত সাংবিধানিক ক্ষমতা প্ৰদান কৰা হ’ব। নিৰ্বাচন আয়োগক এনে ক্ষমতা দিয়াৰ আগতে চৰকাৰে বহু প্ৰশ্নৰ উত্তৰ দিয়া প্ৰয়োজন। গগৈয়ে বিৰোধ সত্বেও এক দেশ এক নিৰ্বাচন সন্দৰ্ভত মন্তব্য দি কয় যে ইয়াক লৈ কোনো ডাঙৰ প্ৰভাৱ পৰা নাই সেয়া স্পষ্ট। বিজেপিৰ ফ্ল’ৰ মেনেজমেণ্ট ইমানেই দুৰ্বল আছিল। মাত্ৰ ৬৫টা ভোটৰ ব্যৱধানত বিধেয়কখন উত্থাপন কৰিবলৈ সক্ষম হৈছে। যুটীয়া সংসদীয় সমিতিৰ বৈঠকৰ সময়ত ভাৰতীয় ভোটাৰৰ অধিকাৰ আৰু ফেডাৰেলিজমৰ নীতিসমূহ যাতে সুৰক্ষিত হ’ব। গৌৰৱ গগৈয়ে সংসদত ১২৯ সংখ্যক সংবিধান সংশোধনী বিধেয়ক প্ৰৱৰ্তনৰ বাবে ভোটদান প্ৰক্ৰিয়াৰ সময়ত এক গুৰুত্বপূৰ্ণ কাৰিকৰী বিফলতাৰ কথা উল্লেখ কৰি সকলোৰে দৃষ্টি নিবদ্ধ কৰে। ইলেক্ট্ৰনিক ভোটিং প্ৰণালীতো আজি বিজুতি ঘটিছিল। যাৰ ফলত কেইবাটাও ভোট গণনা কৰা হোৱা নাছিল। আমোদজনক ভাৱে, ১২৯ তম সংবিধান সংশোধনী বিধেয়ক প্ৰৱৰ্তনক লৈ ভোটদানৰ সময়ত সংসদত বৈদ্যুতিক ভোটদান বিফল হৈছিল। বহু ভোট গণনা কৰা হোৱা নাছিল। কাগজৰ ভোটত শেষত সঠিক সংখ্যা প্ৰতিফলিত হোৱাত গুৰুত্বপূৰ্ণ আইনী প্ৰক্ৰিয়াত ইলেক্ট্ৰনিক ভোটিং প্ৰণালীৰ নিৰ্ভৰযোগ্যতা সম্পৰ্কে প্ৰশ্ন কৰে গগৈয়ে। সংসদীয় কাৰ্যক্ৰমত ব্যৱহৃত প্ৰযুক্তিৰ দৃঢ়তা আৰু এনে বিফলতাই প্ৰণালীৰ ওপৰত আস্থা হ্ৰাস কৰিব বুলিও কয় গগৈয়ে

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

প্ৰথম পৃষ্ঠাৰ পৰা...

# পশ্চিমবংগত আৰক্ষীৰ জালত থলুৱাৰ

আৰু নাতিনীক হত্যাৰ প্ৰয়াস কৰা সন্দেহজনক নাগৰিকক গ্ৰেপ্তাৰ কৰিবলৈকো ৪৫ দিন লাগিল অসম আৰক্ষীৰ। ৪৫ দিনৰ মূৰকত বহিঃৰাজ্যত পলায়ন কৰি থকা গুণ্ডাৰ দলৰ চৰ্দাৰ সুৰজিৎ দে নামৰ দুষ্কৃতিকাৰীক অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি আনিবলৈ সক্ষম হৈছে। অসমত উপ-নিৰ্বাচনৰ ধামখুমিয়াৰ মাজতে নগাঁও জিলাৰ অনুসূচিত জাতিৰ এটা দৰিদ্ৰ পৰিয়ালক হত্যা কৰি মাটি দখলৰ প্ৰয়াস কৰিছিল সন্দেহজনক দুষ্কৃতিকাৰী সুৰজিৎ দেয়ে। ঘটনা সংঘটিত কৰি পালয়ন কৰি আছিল যদিও অসম আৰক্ষীয়ে চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ কোনো গোপন স্থানৰ পৰা সুৰজিতক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। অনুসূচিত জাতিৰ বৃদ্ধা দুলু দাস আৰু নাতিনীক হত্যাৰ প্ৰয়াস কৰাৰ কাণ্ডই ৰাজ্যত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছিল। নগাঁও আৰক্ষীয়ে সুৰজিতক ৰক্ষণা-বেক্ষণ দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে। ৰাইজৰ সহযোগত থানা ঘেৰাও, আৰক্ষী বিষয়া, ৰাষ্ট্ৰপতি, অনুসূচিত জাতিৰ ৰাষ্ট্ৰীয় আয়োগক স্মাৰক প্ৰদান কৰিছিল যদিও বহু পমলকৈ হ'লেও আৰক্ষীৰ এটা দলে দুষ্কৃতিকাৰী সুৰজিৎ দে'ক পশ্চিমবংগৰ পৰা গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। নগাঁও আৰক্ষীৰ দলটোৱে পশ্চিমবংগত বাহৰ পাতি আছিল। পশ্চিমবংগ আৰক্ষীৰ সহাযোগত গোপন স্থানত অভিযান চলাই সুৰজিৎ দে'ক গ্ৰেপ্তাৰ কৰি নগাঁৱলৈ আনে। কালি নিশা নগাঁও সদৰ আৰক্ষী থানালৈ অনা দে'ক নিশা থানাত ৰাখি ঘটনাক লৈ জেৰা কৰি বুলি জনা গৈছে। আজি নগাঁও সদৰ আৰক্ষীয়ে সুৰজিৎ দেক আদালতত হাজিৰ কৰাই জিম্মাত বিচাৰৰ সম্ভাৱনা আছে। নগাঁও জিলাৰ আমতল ডিমৰুগুৰিৰ ৭০ বছৰীয়া বৃদ্ধা দুলু দাস আৰু নাতিনীক হত্যাৰ প্ৰয়াস কৰিছিল দে'ৰ নেতৃত্বৰ গুণ্ডাবাহিনীয়ে। বিগত ১ নৱেম্বৰত ডিমৰুগুৰিৰ ৭০ বছৰীয়া বৃদ্ধা দুলু দাস আৰু নাতিনীয়ে অকলশৰে শুই থকাৰ সময়তে দলবদ্ধ আক্ৰমণ কৰিছিল। পূৰ্বৰে পৰা পৰিয়ালটোক ঘৰ-মাটি এৰি যাবলৈ ধমকি দি আছিল। কিন্তু ১ নৱেম্বৰত দুলু দাসক বৰ্বৰভাৱে প্ৰহাৰ কৰাত প্ৰায় ১০ দিন হাস্পতালত ভৰ্তি হৈ থাকিবলগীয়া হয়। কিন্তু চৰকাৰে খবৰ ল'লে আৰু দুৰ্বৃত্ত চিনাক্ত হোৱাৰ পিছতো আজিলৈ গ্ৰেপ্তাৰ কৰিবলৈ নিৰ্দেশ দিয়া নাছিল। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে অসম আৰক্ষী সঞ্চালক প্ৰধান আৰু নগাঁৱৰ আৰক্ষী অধীক্ষকক ৪ নৱেম্বৰত এখন স্মাৰক পত্ৰ প্ৰদান কৰিছিল। ৫ নৱেম্বৰত অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ নেতৃত্বত অনুষ্ঠিত প্ৰতিবাদী সভাত নগাঁৱৰ সহ-আৰক্ষী অধীক্ষকে ৮ নৱেম্বৰৰ ভিতৰত দুৰ্বৃত্তক গ্ৰেপ্তাৰৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম নহ'ল। ৯ নৱেম্বৰত ইটাচালী আৰক্ষী থানা ঘেৰাও কৰি দুৰ্বৃত্তক গ্ৰেপ্তাৰ দাবী জনায়। ১১ নৱেম্বৰত পুৱা ৫ বজাৰ পৰা আবেলি ৫ বজালৈ বিভিন্ন সংগঠনে নগাঁও চহৰ বন্ধ ঘোষণা কৰিছিল। থানা ঘেৰাও, প্ৰতিবাদী সভা, আৰক্ষী সঞ্চালক প্ৰধান, আৰু আৰক্ষী অধীক্ষকক স্মাৰক পত্ৰ প্ৰদানৰ পিছতো আৰক্ষীয়ে গুৰুত্বসহকাৰে লোৱা নাছিল। ইটাচালি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া অজিত সোণোৱাল, তদন্তকাৰী বিষয়া সুমিত্ৰা শইকীয়াৰ বিৰুদ্ধে ৰাইজে দুষ্কৃতিকাৰী সুৰজিৎ দেক ৰক্ষণা-বেক্ষণ দিয়াৰ অভিযোগ আনিছিল। ৰাইজ তথা অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে বিষয়া অজিত সোণোৱাল, সুমিত্ৰা শইকীয়াক চাকৰিৰ পৰা নিলম্বন কৰাৰ দাবী জনাইছিল। কিন্তু সুৰজিৎ দে'ক বিচাৰি উলিয়াব পৰা নাছিল আৰক্ষীয়ে। কিন্তু ৪৫ দিনৰ মূৰত আৰক্ষীয়ে চুবুৰীয়া ৰাজ্যত সুৰজিৎ দে'ক গ্ৰপ্তাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে, ১ নৱেম্বৰৰ নিশা ডিমৰুগুৰিৰ অনুসূচিত জাতিৰ ৭০ বছৰীয়া দুলু দাস আৰু ১৩ বছৰীয়া নাতিনীক দলবদ্ধ আক্ৰমণ কৰি হত্যাৰ প্ৰয়াস কৰা হৈছিল। ১৩ বছৰীয়া নাতিনীক গণ ধৰ্ষণ কৰি ৰাস্তাত মৃতদেহ পেলাই থোৱাৰ ভাবুকি দিয়া হৈছিল। দুলু দাস আৰু নাতিনীক বৰ্বৰভাৱে প্ৰহাৰ কৰি তেওঁলোকে বসবাস কৰা থকা মাটিখিনি, ঘৰটো এৰি যাবলৈ ধমক দিছিল। দুৰ্বৃত্তই পূৰ্বৰে পৰা বৃদ্ধা আৰু নাতিনীক মানসিক-শাৰীৰিকভাৱে নিৰ্যাতন চলাই আহিছিল। শিলগুটি নিক্ষেপ, বৃদ্ধাৰ চৌহদত জাৰৰ পেলোৱা, জুপুৰীটোৰ বেৰ ভাঙি নিৰ্যাতন চলাই আহিছে। বিভিন্ন সময়ত বৃদ্ধাক ভূমিখিনি এৰি যাবলৈ ভাবুকি দি আহিছিল। ইপিনে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে অসম অনুসূচিত জাতিৰ লোকৰ ওপৰত আক্ৰমণ বৃদ্ধি পোৱাৰ অভিযোগ আনি ৰাষ্ট্ৰপতি আৰু অনুসূচিত জাতিৰ ৰাষ্ট্ৰীয় আয়োগৰ হস্তক্ষেপ দাবী কৰি পৃথকে পৃথকে স্মাৰক পত্ৰ প্ৰদান কৰিছিল। ১১ নৱেম্বৰত অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে ৰাষ্ট্ৰপতি আৰু অনুসূচিত জাতিৰ ৰাষ্ট্ৰীয় আয়োগৰ অধ্যক্ষক এই ঘটনা অৱগত কৰি শীঘ্ৰে হস্তক্ষেপৰ দাবী জনাইছিল। ১ নৱেম্বৰৰ ডিমৰুগুৰিৰ অনুসূচিত জাতিৰ ৭০ বছৰীয়া বৃদ্ধা দুলু দাস আৰু ১৩ বছৰীয়া নাতিনীক দলবদ্ধ আক্ৰমণ, ১৫ নৱেম্বৰত জমেটত ডেলিভাৰী বয় জ্ঞানদীপ হাজৰিকাক ৰাজহুৱা স্থানত আৰক্ষী বিষয়া ভাৰ্গৱ বৰবৰা হত্যাৰ প্ৰয়াস কৰাৰ অভিযোগ আনি অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে ৰাষ্ট্ৰপতি আৰু অনুসূচিত জাতিৰ ৰাষ্ট্ৰীয় আয়োগৰ অধ্যক্ষক স্মাৰক পত্ৰ প্ৰদান কৰি ঘটনাক লৈ তাৎক্ষণিক হস্তক্ষেপ কৰি অসম চৰকাৰক ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিবলৈ কৈছিল সংগঠনটোৱে। পলমকৈ হ'লেও সুৰজিৎ জালত পৰা সন্তুষ্টি ব্যক্ত কৰিছে সংগঠনটোৱে।

# শিৱসাগৰৰ ৰিৰিয়াৰ পৰা চুৰি হোৱা ১০টাকৈ গৰু অৱশেষত দেৰগাঁৱৰ পৰা উদ্ধাৰ

## ছেগ বুজি পলায়ন! চুৰি চক্ৰক গ্ৰেপ্তাৰত ব্যৰ্থ আৰক্ষী

**ই-সংবাদ, শিৱসাগৰ, ১৭ ডিচেম্বৰঃ** শিৱসাগৰ দিচাংমুখ ৰিৰিয়াৰ একেটা পৰিয়ালৰ ১০ টা বলধ গৰু চোৰে যোৱা দেওবাৰৰ নিশা চুৰি কৰি নিছিল যদিও আজি গৰু কেইটা উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। গৰাকী ইমৰাণ আলী আৰু চাইফুদ্দিন আহমেদে আৰক্ষীৰ সহযোগত গৰু কেইটা দেৰগাঁৱৰ ভিতৰুৱা ঠাইৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। চুৰি চক্ৰটোৱে গৰু কেইটা শিৱসাগৰ ৰিৰিয়াৰ পৰা এখন বলেৰ' পিকআপত লৈ গৈছিল দেৰগাঁৱলৈ। দেৰগাঁৱৰ পৰা ডিমাপুৰত বিক্ৰী কৰি দিছিল গৰু কেইটা। কিন্তু দিচাংমুখ থানাত গৰুৰ গৰাকী ইমৰাণ আলিয়ে এজেহাৰ দাখিল কৰাৰ পিছতে উক্ত বলেৰ' পিকআপ খনৰ চালকজনে গৰু কেইটা কোনে ক'ত থৈ আহিবলৈ পঠিয়াইছিল সলসলীয়াকৈ কৈ দিয়ে। চুৰি গৰু বুলি জনা নাছিল চালক জনে। পিছত চুৰি গৰু বুলি জানি গৰাকী ইমৰাণ আলী আৰু আৰক্ষীক অৱগত কৰে। সেই সূত্ৰেই চুৰি চক্ৰটোৰ কবলৰ পৰা গৰুকেইটা উদ্ধাৰ কৰি আজি নিশা ৮ বজাত ঘৰলৈ আনিবলৈ সক্ষম হয়। ইমৰাণ আলীয়ে সদৰি কৰা অনুসৰি দিচাংমুখ ৰিৰিয়া অঞ্চলৰ চাৰিগৰাকী লোক চুৰি চক্ৰটোৰ সৈতে জড়িত আছে। ৰিৰিয়াৰ পৰা গৰুকেইটা চুৰি কৰি নি দেৰগাঁৱৰ হামিদ আলী নামৰ গৰু চিণ্ডিকেটৰ খলনায়কজনক বিক্ৰী কৰি দিছিল। হামিদ আলীৰ নেতৃত্বতে গৰু কেইটা লৈ গৈছিল ডিমাপুৰলৈ। কিন্তু দিচাংমুখ ৰিৰিয়াৰ পৰা যিখন গাড়ীত চুৰি গৰু কেইটা দেৰগাঁৱলৈ লৈ গৈছিল সেই গাড়ীখনৰ চালকজনে গৰু চুৰিৰ আঁৰত কোন নাম কেইটা কৈ দিয়াত গ্ৰেপ্তাৰৰ ভয়ত পুনৰ ডিমাপুৰৰ পৰা দেৰগাঁৱলৈ উভতাই আনে গৰুকেইটা। দেৰগাঁৱৰ ভিতৰুৱা ঠাইত বান্ধি থোৱা অৱস্থাতে আৰক্ষীৰ সহযোগত গৰু কেইটা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। অন্যহাতে চোৰ হামিদ আলীয়ে গৰু দেৰগাঁৱলৈ উভতাই আনিলেও আৰক্ষী উপস্থিত হোৱাৰ পূৰ্বে পলায়ন কৰে। তদুপৰি দিচাংমুখ ৰিৰিয়াৰ যিকেইজনৰ বিৰুদ্ধে গৰু চুৰিৰ অভিযোগ তুলি আৰক্ষী চকীত এজেহাৰ দিছিল সেইকেইজনো পলাই থকা বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে যাতে গৰু উদ্ধাৰ হ'ল বুলি বিষয়টো ইমানতে অন্ত নেপেলাই এই চুৰি কাণ্ডত জড়িত সকলক গ্ৰেপ্তাৰ কৰে তাৰ বাবে দাবী তুলিছে ইমৰাণ আলী আৰু ছাইফুদ্দিন আহমেদে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছ-অজাপ অখিলৰ বাৰেবিংকৰা

সমস্যাৰ বিপৰীতে বিজেপিক লাভৱান হ'ব পৰাকৈ বাতুলামি কথা-বতৰাৰে তাল-মিলহীন চৰ্চা কৰা বিষয়টোৱে ৰাইজক আমুৱাইছে। ক্ষমতাৰ সোঁৱাদ ল'বলৈ উদগ্ৰীৱ বিৰোধীৰ নেতাসকলে মূল্যবৃদ্ধি, কৰ-কাটল, টোলগেট, স্মাৰ্ট মিটাৰ আদি বিষয়ৰ চৰ্চা নকৰি ইটোৱে সিটোৰ গালৈ বোকা ছটিওৱাৰ দৰে কাম কৰি যোৱাৰ অভিযোগ উত্থাপন হৈছে। বিশেষকৈ অখিল গগৈৰে শেহতীয়া স্থিতি, লাগবান্ধনহীন কথা-বতৰাৰ ফলত ৰাইজৰ সমস্যাৰ চৰ্চাৰ বিপৰীতে লঘু আৰু তৰল কথাৰহে চৰ্চা হৈ থকা দেখা গৈছে। অখিল গগৈয়ে বাৰে বাৰে কংগ্ৰেছ আৰু অসম জাতীয় পৰিষদক লৈ বাৰেবাংকাৰা কথা কৈ অহাত কংগ্ৰেছ আৰু অসম জাতীয় পৰিষদৰ নাৰাজ হৈ পৰিছে। উপ-নিৰ্বাচনৰ পিছৰে পৰা ৰাইজৰ দল অবিহনে কোনেও চৰকাৰ গঠন কৰিব নোৱাৰে, ২৬ খন আসন লাভ কৰিম, ১২৬ খন আসনত খেলিবলৈ সাজু আদি কথা কৈ অখিল গগৈয়ে বাৰে বাৰে মুখ চুপতি মাৰি আহিছে। সমানে কংগ্ৰেছৰ নেতা তথা সাংসদ গৌৰৱ গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈক বাৰে বাৰে আক্ৰমণ কৰি গৈছে অখিল গগৈয়ে। বিহালীত মিত্ৰতা ভংগ আৰু অসম জাতীয় পৰিষদে ৰাইজৰ দলৰ সৈতে দল একত্ৰিকৰণ কৰিবলৈ অস্বীকাৰ কৰাত অখিল গগৈয়ে আক্ৰোশমূলকভাৱে লুৰীণজ্যোতি গগৈ আৰু কংগ্ৰেছক আক্ৰমণ কৰি গৈছে। অখিল গগৈয়ে বাৰে বাৰে কংগ্ৰেছক আক্ৰমণ কৰি অহাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আজি যেনে কুকুৰ তেনে টাঙোন নীতিৰে উত্তৰ দিয়া পৰিলক্ষিত হৈছে। ভূপেন বৰাই কয় যে অসমীয়া ভাষাত যিমান তুচ্ছ-তাচ্ছিল্য কৰিব পৰা শব্দ আছে, গোটেই শব্দবোৰ অখিল গগৈয়ে কংগ্ৰেছ দলৰ বিৰুদ্ধে ব্যৱহাৰ কৰি আছে। সেই কথা ৰাইজে দেখিছে। তেনেদৰে বিজেপিয়েও তুচ্ছ-তাচ্ছিল্য কৰি ভাল পায়। এতিয়া বিজেপি আৰু অখিল গগৈৰ মাজত এটা প্ৰতিযোগিতা চলিছে। কোনে বেছিকৈ কংগ্ৰেছক গালি পাৰিব পাৰে। আমি এতিয়াই প্ৰতিক্ৰিয়া দিব খোজা নাই। আমি গগৈৰ কথাবোৰ নোট কৰি গৈছো। আমি পঞ্চায়ত নিৰ্বাচনৰ বাবে কাম কৰি আছো বুলি উল্লেখ কৰি বৰাই কয় যে ফিল্ডত এটা দল নমাৰ আগে আগে এটা দলে নিজেই নিজক গ'ল দি যে থাকে তেনেদৰে আমাক গ'ল দি থাকিবলৈ দিছো। গোৱাল গালি পাৰি থাকিলে মিত্ৰতা হয় নেকি? টিভিৰ লাইভত মিত্ৰতাক লৈ চৰ্চা হয় নেকি? যোৱা ত্ৰিশটা বছৰত ভাৰতবৰ্ষত সৰু-ডাঙৰ এলায়েন্স আছে। আমি একক সংখ্যাগৰিষ্ঠতাৰে চৰকাৰ গঠনৰ পিছতো বিপিএফৰ সৈতে এলায়েন্স কৰিছো। ৯৩ খন আসনত জিকিছো তথাপিও চন্দন ব্ৰহ্ম ডাঙৰীয়া মন্ত্ৰী হৈছে। কংগ্ৰেছে মিত্ৰতাৰ ধৰ্ম কেনেকৈ পালন কৰে ইয়াতকৈ ডাঙৰ উদাহৰণ কি লাগে? ইয়াৰ আগৰ উপ-নিৰ্বাচনত মাজুলী আমি এজেপিক এৰি দিছিলো। ভৱানীপুৰ অখিল গগৈক এৰি দিছিলো। কমল কুমাৰ মেধিক সুধিব কিয় টিকট নাপালে। যোৱাবাৰ লোকসভাত ডিব্ৰুগড় এৰি দিছো। ইপিনে অখিল গগৈয়ে কটু সমালোচনা কৰি লুৰীণক হতাশ হোৱা বুলি কোৱাত আজি অসম জাতীয় পৰিষদৰ নেতা চিত্তৰঞ্জন বসুমতাৰীয়ে অখিল গগৈকে প্ৰত্যুত্তৰ দিছে। একত্ৰিকৰণ হোৱাটো সম্ভৱ নহয় বুলি স্বীকাৰ কৰি বসুমতাৰীয়ে কয় যে তেওঁৰ ধাৰা বেলেগ, আমাৰ ধাৰা বেলেগ। চিত্তৰঞ্জন বসুমতাৰীয়ে কয় যে লুৰীণজ্যোতি গগৈ হতাশ হোৱা নাই। বিধায়ক অখিল গগৈহে উত্তেজিত হৈছে। অখিল গগৈৰ মন্তব্য আৰু অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলৰ একত্ৰিকৰণ সন্দৰ্ভত আজি ধেমাজিত অজাপ নেতা চিত্তৰঞ্জন বসুমতাৰীয়ে কয় যে অখিল গগৈয়ে নিজেই কৈছে যে মই মাৰ্ক্সবাদী। মই চিপিআইএমত ট্ৰেইনিং লোৱা। ৰাইজৰ দলৰ সৈতে সৌহাদ্যপূৰ্ণভাৱে মিত্ৰতা চলি আছে। বিজেপিৰ বিৰুদ্ধে যুঁজিম বুলি আমি বহুত মঞ্চত লগ খাইছো। এটাই আঞ্চলিক দল নহয়, কেইবাটাও আঞ্চলিক দল আছে। একত্ৰিকৰণৰ কথা কৈ থকা হৈছে। কেতিয়াবা সংবিধান, কেতিয়াবা নাম সলনি হোৱাৰ কথা কৈছে। ৰাইজে এইবোৰ বাৰে বাৰে কৈ থাকিলে বেয়া পায়। এইবোৰতকৈ আমি নিজৰ নিজৰ এজেণ্ডাত দল শক্তিশালী কৰিব লাগে। বিজেপিক পৰাভূত কৰাৰ স্বাৰ্থত কাম কৰিব লাগে। দুটা দল বিলীন হ'লে বাকী দলৰ কি হ'ব বুলি প্ৰশ্ন কৰি বসুমতাৰীয়ে কয় যে সকলো দলেই থাকক। আদৰ্শ, অধিকাৰৰ বাবে দল খুলিছে। মৰ্যাদাপূৰ্ণভাৱে থাকক। শক্তিশালী হওক। তেতিয়া গণতান্ত্ৰিকভাৱে নিজৰ নিজৰ কথা ক'ব পাৰিব। আমি আজন্ম জাতীয়তাবাদী। আদৰ্শ বেলেগ হ'লেও বিজেপিক পৰাভূত কৰাৰ স্বাৰ্থত আমি সকলোৰে সৈতে মিত্ৰতা কৰিম। অখিল গগৈক ফ'ল' কৰা মানুহ আছে বুলি উল্লেখ কৰি অসম জাতীয় পৰিষদৰ নেতাগৰাকীয়ে আৰু কয় যে তেওঁ দলটোক শক্তিশালী কৰক। আমি আমাৰ দলক শক্তিশালী কৰিম। দুয়োটাই লগ লাগি বিজেপিক প্ৰতিহত কৰিম। লুৰীণজ্যোতি গগৈ হতাশ হোৱা নাই বুলি কৈ বসুমতাৰীয়ে আৰু কয় যে কিয় হতাশ হ'ব। যদি ভাবিছে হতাশ হৈছে তেন্তে আপুনি সাহস দিয়ক। যদি আমি কও তেওঁ উত্তেজিত হৈছে নেকি? তেনেকৈ ক'লে তেওঁ ভাল নাপাব নহয়। এনেদৰে এতিয়া একপ্ৰকাৰ হাঁহৰ গড়াল সদৃশ হৈ পৰিছে বিৰোধীৰ মিত্ৰজোঁট। হাঁহে পেক পেক কৰি থাকোতেই শিয়ালে ছেগ বুজি গড়ালৰ পৰাই হাঁহ থপিয়াই নিয়াৰ দৰেকৈ বিৰোধীৰ কেবাজনো নেতাক বিজেপিয়ে ইতিমধ্যে নিজৰ ফলীয়া কৰাৰ লগতে আৰু অনেকক ধৰিবলৈ সুযোগৰ অপেক্ষাত ৰৈ থকাতো স্পষ্ট হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিধেয়ক গৃহীত হ'লেও ২০৩৪ৰ পূৰ্বে

লগে লগে বিৰোধী দলসমূহে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। এই বিধেয়কখনৰ উদ্দেশ্য হৈছে লোকসভা আৰু ৰাজ্য বিধানসভাৰ নিৰ্বাচন একেলগে অনুষ্ঠিত কৰা। সম্প্ৰতি এই বিধেয়কখন সংসদীয় যুটীয়া সমিতিলৈ প্ৰেৰণৰ প্ৰস্তাৱ আগবঢ়াইছে চৰকাৰে। ইয়াৰ পিছত ৰাজ্যসভাত উত্থাপন কৰাৰ পিছত এক নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ জৰিয়তে বিধেয়কখন গৃহীত কৰা হ'ব। কিন্তু অৱশ্যে বিধেয়কখন গৃহীত হ'লেও কাৰ্যকৰী হ'ব কেতিয়া? এই বিষয়টোক লৈ জনসাধাৰণৰ মাজত কৌতুহল বাঢ়িছে। বিশ্লেষকসকলৰ মতে আগন্তুক ১০ বছৰৰ ভিতৰত এই ব্যৱস্থা কাৰ্যকৰী হোৱাৰ সম্ভাৱনা নাই। "এক ৰাষ্ট্ৰ, এক নিৰ্বাচন" ২০৩৪ চনৰ পূৰ্বে কাৰ্যকৰী কৰাটো সম্ভৱ নহয়। খচৰা বিধেয়কখনত উল্লেখ আছে যে পৰৱৰ্তী লোকসভা নিৰ্বাচনৰ পিছত সংসদৰ প্ৰথম অধিৱেশনক 'প্ৰথম দিন' হিচাপে গণ্য কৰা হ'ব, আৰু এই ব্যৱস্থা আগন্তুক পাঁচ বছৰলৈ প্ৰযোজ্য হৈ থাকিব। পৰৱৰ্তী লোকসভা নিৰ্বাচন ২০২৯ চনত অনুষ্ঠিত হ'ব, আৰু ২০৩৪ চনলৈকে নৱনিৰ্বাচিত চৰকাৰখন ক্ষমতাত থাকিব। কিন্তু এই ব্যৱস্থা সম্পূৰ্ণৰূপে কাৰ্যকৰী হ'বলৈ অধিক সময় লাগিব আৰু ২০৩৪ চনৰ প্ৰথমাৰ্ধত একেলগে লোকসভা আৰু বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব পাৰে। উল্লেখ্য যে, বিৰোধীয়ে এই বিধেয়কখন ভাৰতৰ সংবিধান আৰু কেন্দ্ৰীয় শাসন ব্যৱস্থাৰ বিৰোধী বুলি অভিযোগ উত্থাপন কৰিছে। ভাৰতৰ ফেডাৰেল গাঁথনিৰ বিৰোধী এই বিধেয়কৰ জৰিয়তে চৰকাৰে কেন্দ্ৰীয় চৰকাৰী ব্যৱস্থা প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে বুলিও দাবী উত্থাপন হৈছে। কিন্তু চৰকাৰৰ যুক্তি হ'ল যে একেলগে নিৰ্বাচন অনুষ্ঠিত কৰিলে নিৰ্বাচনৰ খৰচৰ ধন ৰাহি হ'ব আৰু চৰকাৰী উন্নয়নমূলক কামৰ গতিত বাধাৰ সৃষ্টি নহ'ব। ইফালে, এই বিধেয়কখনত এইটোও উল্লেখ আছে যে যদি কোনো কাৰণত বিধানসভা বা লোকসভা ভংগ হয়, তেন্তে বাকী থকা সময়ছোৱাৰ বাবেহে উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। পিছত সকলো স্তৰৰ নিৰ্বাচন একেলগে অনুষ্ঠিত হ'ব। ইয়াৰ ফলত বৃহৎ খৰচৰ ৰাহি হ'ব। কিন্তু বিজেপিৰ এই দাবীৰ বিপৰীতে বিৰোধীসকলৰ মতে একেলগে ভোটগ্ৰহণ অনুষ্ঠিত কৰিলে গণতান্ত্ৰিক বৈচিত্ৰ্য ধ্বংস হ'ব। বিধেয়কখনক লৈ শাসক-বিৰোধীৰ মাজত অব্যাহত থকা বাক-বিতণ্ডাৰ মাজতে মঙলবাৰে লোকসভাত বিধেয়কখনক লৈ হোৱা ভোটগ্ৰহণত সপক্ষে ২৬৯ জন সাংসদে আৰু বিপক্ষে ১৯৮জন সাংসদে ভোটদান কৰে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জেপিচিলৈ গ'ল 'এক দেশ এক নিৰ্বাচন'

মহলত ব্যাপক চৰ্চিত এই বিধেয়কখনৰ জৰিয়তে দেশৰ সকলো নিৰ্বাচন একেলগে অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে শাসকীয় বিজেপিয়ে। কিন্তু এই বিধেয়কখন মঙলবাৰে সদনৰ মজিয়াত উত্থাপন হোৱাৰ পাছত বিৰোধী দলসমূহৰ তীব্ৰ প্ৰতিবাদৰ সন্মুখীন হ'বলগীয়া হয়। কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ, সমাজবাদী পাৰ্টি আদি বিৰোধী দলসমূহে এই প্ৰস্তাৱৰ বিৰুদ্ধে দাবী উত্থাপন কৰিছে। বিৰোধীয়ে দাবী কৰে যে এই বিধেয়ক গণতন্ত্ৰৰ মৌলিক নীতিৰ বিৰুদ্ধে আৰু ইয়াৰ ফলত দেশৰ সংবিধানৰ ক্ষতি হ'ব। আজি লোকসভাত বিধেয়কখনক লৈ অনুষ্ঠিত হোৱা ভোটগ্ৰহণত সপক্ষে ভোটদান কৰে ২৬৯জন সাংসদে আৰু বিপক্ষে ভোটদান কৰে ১৯৮জন সাংসদে। এই ভোটগ্ৰহণৰ পিছত লোকসভাৰ অধিৱেশন এঘণ্টাৰ বাবে স্থগিত ৰখা হয়। ভোটদান প্ৰথমে ইলেক্ট্ৰনিক ভোটিং চিষ্টেম (ইভিএম)ৰ দ্বাৰা আৰু পিছলৈ বেলট পেপাৰ ব্যৱহাৰ কৰি কৰা হয়। নতুন সংসদ ভৱনত ইভিএম ব্যৱহাৰৰ এইটোৱেই আছিল প্ৰথম অভিজ্ঞতা। যদিও এই ভোটদানৰ পূৰ্বে বিৰোধীয়ে বঞ্চনাৰ অভিযোগ উত্থাপন কৰিছে, সংসদীয় নিয়ম অনুসৰি বিধানসভাৰ বিতৰ্কৰ পূৰ্বে ভোটদান বাধ্যতামূলক। লক্ষণীয় যে, আজি লোকসভাত এই বিধেয়ক উত্থাপনক লৈ সোমবাৰে মাজনিশা থ্ৰি লাইন হুইপ জাৰি কৰিছিল এন ডি এয়ে। কিন্তু ইয়াৰ পিছতো আজিৰ দিনটোত শাসকীয় পক্ষৰ বহু সাংসদ অনুপস্থিত থকা পৰিলক্ষিত হয়। জানিব পৰা মতে, ভোটদানৰ পৰা বিৰত থকা সাংসদ সকলক কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা হৈছে। ইফালে বিধেয়কক লৈ ভোটগ্ৰহণৰ পিছতে কেন্দ্ৰীয় আইন ৰাজ্যিক মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে লোকসভাত ঘোষণা কৰে যে বিধেয়কখন সংসদীয় যুটীয়া সমিতিলৈ প্ৰেৰণ কৰা হ'ব যাতে বিতং আলোচনাৰ অন্তত সংশোধনীসমূহ অন্তৰ্ভুক্ত কৰিব পৰা যায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেবিনেট বৈঠকত বিধেয়কখন যুটীয়া সমিতিলৈ প্ৰেৰণ কৰাৰ প্ৰস্তাৱ আগবঢ়াইছিল আৰু ইয়াৰ পৰিপ্ৰেক্ষিততে বিধেয়কখন সংসদীয় সমিতিলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত লোৱা হয়। আইন মন্ত্ৰীৰ সন্মতিৰ পিছত এই বিধেয়কখন অধিক বিশদ আলোচনাৰ বাবে কমিটীৰ ওচৰলৈ যাব। অন্যহাতে এই বিধেয়কৰ বিৰুদ্ধে বিৰোধী সদস্যসকলে নিজৰ মতামত প্ৰকাশ কৰি আহিছে। কংগ্ৰেছৰ সাংসদ মনীষ তিৱাৰী আৰু সমাজবাদী পাৰ্টিৰ সাংসদ ধৰ্মেন্দ্ৰ যাদৱে অভিযোগ কৰে যে এই বিধেয়কখনৰ জৰিয়তে দেশৰ নিৰ্বাচনী ব্যৱস্থাক কেন্দ্ৰীভূত কৰি ৰাজ্য চৰকাৰৰ ক্ষমতা হ্ৰাস কৰিব বিচাৰিছে। তৃণমূল কংগ্ৰেছৰ সাংসদ কল্যাণ বেনাৰ্জীয়ে কয় যে এই বিধেয়কে সংবিধানৰ মৌলিক গাঁথনিৰ ক্ষতি কৰিব। ডি এম কেৰ সাংসদ টি আৰ বালুৱে প্ৰশ্ন উত্থাপন কৰে যে যেতিয়া চৰকাৰৰ সংখ্যাগৰিষ্ঠতা নাই, তেতিয়া সংসদত এই বিধেয়কখন কেনেকৈ উত্থাপন কৰা হ'ল? এই বিধেয়কখনৰ বিৰোধিতা কৰে এআইএমআইএমৰ সাংসদ আছাদুদ্দিন ওৱাইছিয়েও। অমিত শ্বাহে কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে 'এক ৰাষ্ট্ৰ, এক নিৰ্বাচন' বিধেয়কখন সংসদত যুটীয়া সমিতিৰ জৰিয়তে আলোচনা কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে যাতে গণতান্ত্ৰিক আলোচনাৰ জৰিয়তে সংশোধন কৰিব পৰা যায়। বিৰোধী দলসমূহে বিধেয়কখনক সংবিধানৰ মৌলিক গাঁথনিৰ বিৰুদ্ধে আৰু একনায়কত্ববাদ প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস বুলি দাবী কৰে। উল্লেখ্য যে, ইয়াৰ পূৰ্বে ১২ ডিচেম্বৰত অনুষ্ঠিত কেবিনেট বৈঠকত 'এক ৰাষ্ট্ৰ, এক নিৰ্বাচন' সম্পৰ্কীয় কোবিন্দ সমিতিৰ প্ৰতিবেদনত অনুমোদন জনোৱা হৈছিল, য'ত ৰাজ্য আৰু কেন্দ্ৰীয় নিৰ্বাচন একেলগে অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ দিয়া হৈছিল। এই ব্যৱস্থা কাৰ্যকৰী হ'লে ৰাজ্যিক নিৰ্বাচন আয়োগৰ ক্ষমতা হ্ৰাস পাব আৰু দেশখন কেন্দ্ৰীভূত নিৰ্বাচনী ব্যৱস্থাৰ দিশে আগবাঢ়িব বুলি আশংকা কৰিছে বিৰোধীয়ে। ইফালে, একেলগে নিৰ্বাচন অনুষ্ঠিত কৰিলে খৰচ কম হোৱাৰ লগতে উন্নয়নৰ কাম সুকলমে হ'ব বুলি দাবী কৰি আহিছে বিজেপিয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰত-পাকিস্তান এক হৈ থাকিলে বৃহৎ

ভাৰত-পাকিস্তান এক হৈ থাকিলে পৃথিৱীৰ বৃহৎ শক্তি হ'লহেতেন। এই মন্তব্য কৰিছে অসম ৰাজ্যিক জমিয়ত উলেমাৰ সভাপতি তথা প্ৰাক্তন সাংসদ মৌলানা বদৰুদ্দিন আজমলে। আজি কোকৰাঝাৰ চহৰৰ সমীপৱৰ্তী খুটামাৰীত মাদ্ৰাছা ইছলামীয়া ইশ্বা-আতুল উলুম, খুটামাৰীৰ উদ্যোগত অনুষ্ঠিত হোৱা ২৬ তম বাৰ্ষিক আজিমুশ্বান ধৰ্মসভাত অংশগ্ৰহণ কৰি অসম ৰাজ্যিক জমিয়ত উলেমাৰ সভাপতি তথা প্ৰাক্তন সাংসদ মৌলানা বদৰুদ্দিন আজমলে সংবাদ মাধ্যমৰ আগত উক্ত মন্তব্য প্ৰকাশ কৰে। তেওঁ কয় যে ১৯১৯ চনতে স্থাপিত হোৱা জমিয়তে দেশৰ স্বাধীনতাৰ হকে যুঁজ দিছিল। জমিয়তে সমাজসেৱা কৰাৰ উপৰিও শিক্ষাৰ জৰিয়তে সমাজক আগুৱাই নিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। বেয়া কামৰ পৰা সকলোকে দূৰৈত থকাৰ আহ্বান জনাই বদৰুদ্দিন আজমলে কয় যে মুছলমান মানুহে অকল মুছলমানৰ চিন্তা কৰিব নালাগে, দেশৰাসীৰ আন আন ভাতৃ-ভগ্নীৰ বাবেও সৎ চিন্তা কৰিব লাগে। জমিয়তে সকলোৰে ভালৰ বাবেই কাম কৰি আহিছে আৰু এনআৰচি, ডি-ভোটাৰ সমস্যা সমাধানৰ হকেও কাম কৰি আহিছে বুলিও কয় আজমলে। ইপিনে ধৰ্মীয় সভাত উপস্থিত হৈ এবিএমছুৰ সভাপতি টাইছন হুছেইনে কয় যে আজিৰ ধৰ্মীয় সভাতে ইছলাম ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ সন্দৰ্ভত আলোচনা কৰা হ'ব। ধৰ্মসভাত সমাজৰ পৰা অন্ধবিশ্বাস, কুসংস্কাৰ, অসামাজিক কাৰ্যকলাপ, অপৰাধমূলক কাম-কাজ কেনেদৰে পুলিয়ে-পোখাই উভালিব পাৰি সেই সন্দৰ্ভতো আলোচনা কৰা হ'ব বুলি মন্তব্য কৰি টাইছন হুছেইনে সমাজক সূৰ্যৰ পোহৰেৰে কেনেদৰে আগবঢ়াই নিব পাৰি সেয়াই তেওঁলোকৰ মূল লক্ষ্য বুলি সদৰি কৰিছে। আনহাতে সাংবাদিকৰ এক প্ৰশ্নোত্তোৰত টাইছন হুছেইনে এক দেশ, এক নিৰ্বাচন দেশৰ সংসদীয় গণতন্ত্ৰৰ প্ৰতি শুভলক্ষণ নহয় বুলি কয়। উল্লেখ্য যে মাদ্ৰাছা ইছলামীয়া ইশ্বা-আতুল উলুম, খুটামাৰীৰ উদ্যোগত অনুষ্ঠিত খুটামাৰীত অনুষ্ঠিত হোৱা ধৰ্মীয় সভাত হাজাৰ হাজাৰ ইছলাম ধৰ্মাৱলম্বী লোকে অংশগ্ৰহণ কৰে। ধৰ্মসভাত সৰ্বভাৰতীয় জমিয়ত উলেমা হিন্দৰ সাধাৰণ সম্পাদক হজৰত মৌলানা হাকিম উদ্দিন কাছমি, অসম ৰাজ্যিক জমিয়ত উলেমাৰ সভাপতি মৌলানা বদৰুদ্দিন আজমল, সাধাৰণ সম্পাদক হাফিছ বছিৰ আহমেদ কাছিমী, এবিএমছুৰ সভাপতি টাইছন হুছেইন, সাধাৰণ সম্পাদক জাইদুল ইছলাম, মুখ্য বক্তা হিচাপে হাফিজ মৌলানা নুৰ আহমদ, বিশিষ্ট বক্তা হিচাপে আলহাজ হজৰত মুফতী কাৰী ৰকিবুল ইছলাম আদিকে ধৰি বহু বিশিষ্টই অংশগ্ৰহণ কৰে। বিশাল ধৰ্মসভাৰ কাৰ্যসূচী অনুসৰি আজি ৰাতিপুৱা ৮ বজাত পতাকা উত্তোলন, ৯ বজাত ছাফাই অভিযান, ৯:৩০ বজাত বৃক্ষৰোপণ ১০ বজাত জিলাভিত্তিক অভিৱৰ্তন আৰু দুপৰীয়া ২:৩০ বজাত কোৰাণ খতম আৰু ৩:৩০ বজাত কেৰায়েত প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইয়াৰ পিছতে সন্ধিয়া ৭ বজাত ইশা নামাজ আদায় কৰি আমন্ত্ৰিত অতিথিসকলৰ দ্বাৰা ধৰ্মসভাৰ কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। ইফালে, আজি কোকৰাঝাৰৰ খুটামাৰীৰ উক্ত বিশাল ধৰ্মসভাত মুছলমানৰ দুখ-দুদৰ্শা কৈ কান্দি উঠিল বদৰুদ্দিন আজমল। মাদ্ৰাছা ইছলামীয়া ইশ্বা-আতুল উলুম, খুটামাৰীৰ উদ্যোগত অনুষ্ঠিত হোৱা বিশাল ধৰ্মসভাৰ পৰ্যালোচনা সভাত আজমলে অংশগ্ৰহণ কৰি কয় যে এদিন নামাজ পঢ়িলেই, মছজিদত গ'লেই মুছলমান নহয়। সমাজৰ ফালেও চাব লাগিব, উচ্চ শিক্ষাৰে শিক্ষিত হ'ব লাগিব। মুছলমান শিশু, মহিলাৰ দুখ-দুদৰ্শাৰ কথা বৰ্ণনা কৰি কান্দি উঠা আজমলে কয় যে তেওঁলোকে পেটৰ তাড়নাত ভিক্ষাৰীৰ দৰে শ্ৰম কৰিব লগা হৈছে। ইংৰাজে একাংশ মুছলমানক অসমলৈ শ্ৰমিক হিচাপে আনিছিল। বৰ দুখৰ কথা তেওঁলোকৰ অৱস্থাৰ পৰিবৰ্তন আজিও নহ'ল। শ্ৰমিক হৈয়ে থাকিল। পেটৰ তাড়নাত বৰ কষ্ট কৰি খাব লগা হৈছে। এতিয়াও বহুসংখ্যকে স্কুল-কলেজলৈ নাযায়, তাৰ পৰিবৰ্তে যায় ক্লাৱলৈ। যাৰ ঘৰত এবাৰ ড্ৰাগছ সোমাইছে সেই পৰিয়াল শেষ। এইবোৰৰ পিনে চকু দিব লাগিব। সমাজৰ কথা চিন্তা কৰিব লাগিব। মুছলমানে অকল মুছলমানৰ বাবে চিন্তা কৰিলে নহ'ব, দেশৰাসীৰ ভাতৃ-ভগ্নীৰ কথাও চিন্তা কৰিব লাগিব। মুছলমানৰ দুখ-দুদৰ্শাৰ কথা উল্লেখ কৰি পৰ্যালোচনা সভাত কান্দি উঠা আজমলে সকলোৰে মঙ্গলৰ বাবেও দোৱা কৰে। ইপিনে ধৰ্মসভাত অংশগ্ৰহণ কৰি আজমলে কয় যে ইংৰাজৰ শাসনৰ পৰা মুক্ত কৰিবলৈ তথা স্বাধীন কৰাৰ উদ্দেশ্যৰে জমিয়ত উলেমা জন্ম হৈছিল। জমিয়তৰ উদ্দেশ্য আছিল দেশ এক হৈ থাকিব লাগে, বিভাজন হ'ব নালাগে।

# অসমীয়াই সীমান্তত দেখুৱালে একতা, হামৰেণ-খান্দুলী পথৰ কাম আৰম্ভ

**ই-সংবাদ, ১৭ ডিচেম্বৰঃ** অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চুবুৰীয়া ৰাজ্যৰ সৈতে সীমা বিবাদ নিষ্পত্তিৰ কথা বৰে বাৰে দোহাৰি চৰকাৰক বাঃ বাঃ দিব খুজিলেও সীমা বিবাদ আজিও সমাপ্ত হোৱা নাই। সীমা সমস্যা সামাধনৰ নামকে লোৱা নাই সেয়া দেখা গ'ল শিচিম কাৰ্বি আংলং জিলাৰ অসম-মেঘালয় সীমান্তত। এটা পথ নিৰ্মাণৰ সময়ত বাৰে বাৰে মেঘালয়ৰ লোকে বাধা আৰোপ কৰাত বিগত প্ৰায় ৫০ ঘণ্টা ধৰি আংলং জিলাৰ অসম-মেঘালয় সীমান্তক উত্তেজনা অব্যাহত আছে। মেঘালৰ ফালৰ খাচী লোকে পথ নিৰ্মাণত বাধা দিছিল যদিও অসমৰ ফালৰ পৰা খাচীৰ বাধা উফৰাই পথ নিৰ্মাণৰ কাম কৰি যাবলৈ সক্ষম হয় ঠিকাদাৰে। পশ্চিম কাৰ্বি আংলঙৰ অসম-মেঘালয় সীমান্তত চলি আছে এটা পথ নিৰ্মাণৰ কাম। অসমমালা আঁচনিৰ অধীনত হামৰেণ-খান্দুলী সংযোগী ৩৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথটো নিৰ্মাণ চলি থকাৰ মাজতে মেঘালয়ৰ লোকে বিধা দিয়ে। আমৈ নামৰ ঠাইত মেঘালয়ৰ কিছু নেতা আৰু স্থানীয় লোকে বাধা দিয়াত আজি অসমৰ লোকে দলবান্ধি ওলাই আহি মেঘালয়ৰ লোকৰ বিৰুদ্ধে ফেপেৰি পাটি ধৰে। আৰক্ষী, লোক নিৰ্মান বিভাগৰ লোকৰ সন্মুখতে মেঘালৰ লোকে ভাবুকি-ধনক দি নিৰ্মাণৰ কাম বন্ধ কৰিবলৈ প্ৰয়াস কৰিছিল। কিন্তু অসম আৰক্ষী আৰু কাৰ্বি ছাত্ৰ সন্থা, সীমান্ত উন্নয়ন সমিতিৰ লোকে ঠিকাদাৰে নিয়োজিত কৰা লোকক নিৰাপত্তা দি কাম কৰি যাবলৈ দিয়ে। অসমৰ ৰাইজে একত্ৰিতভাৱে থিয় দিয়াত মেঘালয়ৰ লোকে পিছুৱাই যাবলৈ বাধ্য হয়। কাৰ্বি ছাত্ৰ সন্থাই কয় যে বৈঠালাংচু-খান্দুলী পথটো বিশেষ পথ। পথটো নিৰ্মাণ কৰি আহি থকা হৈছে। আমৈ নামৰ ঠাইত মেঘালয়ৰ কিছু নেতা আৰু অক্তিভিষ্টে ওলাই আহি পথটো নিৰ্মাণত বাধা দিয়ে। স্থানীয় ৰাইজ, কাৰ্বি ছাত্ৰ সন্থা, সীমান্ত উন্নয়ন সমিতি এক গোট হৈ পথটোৰ কাম কৰি যোৱাত সহায় কৰা হৈছে। লগতে কাৰ্বি ছাত্ৰ সন্থাৰ স্থানীয় নেতাই মেঘালয়ৰ ৰাইজক আহ্বান জনাই কয় যে আমাৰ ট্ৰাইবেলৰ মাজতে সৰু সৰু কথাক লৈ কাজিয়া কৰিব নালাগে। এটা সৰু পথ, ৰিংৰেল বহুওৱাৰ সময়ত বাধা দি সীমাৰ কথা কোৱা হয়। বিদ্যুতৰ খুঁটা এটা বহুৱাবলৈ সীমাৰ কথা অনা হয়। সীমা সমস্যা কেন্দ্ৰীয় চৰকাৰৰ বিষয়। অসম আৰু মেঘালয় চৰকাৰে আলোচনা কৰি সীমা সমস্যাৰ সমাধান কৰিব লাগে। এনেদৰে কাজিয়া কৰি থাকিলে লোকচান হ'ব বুলিও কয় কাৰ্বি ছাত্ৰ সন্থাই।

# অগপৰ স্থিতিক লৈ বিজেপিত সন্দেহ! ভোট দিবলৈ সময়ত সদন নাপালে ফণীভূষণে

**ই-সংবাদ, ১৭ ডিচেম্বৰঃ** অসমৰ শাসক দল বিজেপিৰ সহযোগী হৈ চৰকাৰৰ অংশীদাৰ হৈ থকা অসমৰ আঞ্চলিক দল অসম গণ পৰিষদে 'এক দেশ এক নিৰ্বাচন'কৈ লৈ প্ৰথমবাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। লোকসভাত বিৰোধীৰ প্ৰতিবাদৰ পিছতো ২৬৯গৰাকী সাংসদৰ সমৰ্থন লাভ কৰি বিধেয়ক উত্থাপনৰ মঞ্জুৰি লাভ কৰাৰ পিছতে অসম গণ পৰিষদে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। দেশৰ আঞ্চলিক দল তৃণমুল কংগ্ৰেছ, সমাজবাদী পাৰ্টি, ঝাৰখণ্ড মুক্তি মৰ্চা আদি আঞ্চলিক দলে বিৰোধ কৰাৰ সময়তে এই বিধেয়কক সমৰ্থন কৰিছে অসম গণ পৰিষদে। অসম গণ পৰিষদৰ নেতা তথা কাৰ্যকৰী সভাপতি কেশৱ মহন্তই আজি কয় যে দেশত জৰুৰীকালীন অৱস্থা প্ৰৱৰ্তন কৰা কংগ্ৰেছে 'এক দেশ এক নিৰ্বাচন'ৰ বিৰোধিতা কৰাটো ডাঙৰ কথা নহয়। 'এক দেশ এক নিৰ্বাচন' ব্যৱস্থাৰ বাবে ৫ বছৰৰ মূৰত একেলগে বিধানসভা আৰু লোকসভাৰ সদস্যৰ বাবে ভোট দিব পাৰিব দেশৰ জনগণে। ইপিনে এক দেশ এক নিৰ্বাচন ব্যৱস্থাক সমৰ্থন কৰা অগপৰ একমাত্ৰ বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণীভূষণ চৌধুৰীয়ে সদনত বিল উত্থাপনৰ সমৰ্থনত ভোটেই নিদিলে। গুৱাহাটীৰ পৰা বিমান যাত্ৰা বিলম্ব হোৱাত সাংসদ চৌধুৰীয়ে ভোট দিব নোৱাৰিলে। এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি চৌধুৰীয়ে কয় যে মোৰ বিমান আছিল ৭ বাজি ২০ মিনিটত। কিন্তু বিমানৰ যাত্ৰা আৰম্ভ হৈছিল ১০ বজাৰ পিছত। লগতে এক দেশ এক নিৰ্বাচন সন্দৰ্ভত দলে বিবেচিত কৰিব আৰু এয়া হোৱাটো উচিত বুলিও কয় চৌধুৰীয়ে। লোকসভাত 'এক দেশ এক নিৰ্বাচন' বিধেয়ক উত্থাপনৰ সময়ত উপস্থিত নাথাকিল চৌধুৰী। কেশৱ মহন্তই এই বিধেয়ক আৰু এক দেশ এক নিৰ্বাচন ব্যৱস্থাৰ প্ৰতি সমৰ্থন আগবঢ়ায়। ইপিনে নিজ দলৰ সাংসদে ভোটদান নকৰা কথাটোৱে অগপৰ স্থিতিক লৈ সন্দেহৰ ৰাতাবৰণ সৃষ্টি হৈছে। বিজেপিৰ সৈতে মিত্ৰতাত থাকি অসমৰ চৰকাৰ চলাই থকা দলটোৱে বিজেপিৰ কোৰ এজেণ্ডা এক দেশ এক নিৰ্বাচন ব্যৱস্থাক পূৰ্ণ সমৰ্থন কৰা বুলি ক'লেও লোকসভাত তেওঁলোকৰ একমাত্ৰ সাংসদজনে উপস্থিত নথকা বিষয়টোক লৈ বিজেপি দলৰ ভিতৰচ'ৰাত ব্যাপক চৰ্চা হৈছে বুলি জানিব পাৰ গৈছে।

# জি-মেইলক প্ৰত্যাহ্বান জনাবলৈ আহিব এক্স-মেইল

**নিউয়ৰ্ক, ১৭ ডিচেম্বৰঃ** ড'নাল্ড ট্ৰাম্পে দ্বিতীয়বাৰৰ বাবে আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ আসনত বহাৰ পিছতে আকাশ চুইছে টেছলাৰ শ্বেয়াৰ মূল্যই। সমান্তৰালভাৱে বৃদ্ধি পাইছে ইলন মাস্কৰ সম্পত্তিৰ পৰিমাণো। একে সময়তে আমেৰিকা প্ৰশাসনৰ গুৰুত্বপূৰ্ণ পদবীত অধিষ্ঠিত হ'বলৈ ওলাইছে ইলন মাস্ক। এই পৰিস্থিতিত মাস্কে নিজৰ ব্যৱসায় আৰু অধিক সম্প্ৰসাৰণৰ পৰিকল্পনাৰ বিষয়ে আলোচনা কৰিবলৈ আৰম্ভ কৰিছে আৰু এই আলোচনাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে "এক্স মেইল"। খবৰ অনুসৰি, ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এক্সে অতি সোনকালে আৰম্ভ কৰিব নিজৰ মেইল সেৱা। ইতিমধ্যে ছ'চিয়েল মিডিয়াত ধুমুহাৰ সৃষ্টি কৰা এই খবৰ যদি সঁচা হয় তেন্তে গুগলৰ জি মেইলৰ ডাঙৰ প্ৰতিদ্বন্দ্বী হ'বলৈ সাজু হৈছে এক্স মেইল। দেওবাৰে ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এক্সৰ এটা হেণ্ডেলৰ পৰা এক্স মেইলৰ বিষয়ে এটা পোষ্ট প্ৰকাশ পায় আৰু ইয়াৰ পিছতে এই লৈ নেটিজেনৰ মাজত চৰ্চা আৰম্ভ হয়। ইয়াৰ পূৰ্বে ফেব্ৰুৱাৰী মাহত এক্সৰ নিৰাপত্তা অভিযন্তা নেট মেকগ্ৰেডীয়ে এটা প্ৰশ্ন কৰিছিল, "এক্স মেইল কেতিয়া আহিব?" সেই সময়ত ইলন মাস্কে উত্তৰ দিছিল, "আহি আছে।" উল্লেখ্য যে, বৰ্তমান বিশ্বৰ ইমেইল বজাৰৰ প্ৰায় ৫৩% এপলে আধিপত্য বিস্তাৰ কৰাৰ বিপৰীতে গুগলৰ জিমেইলে ৩০-৩১% বজাৰ দখল কৰিছে। ইয়াৰ উপৰিও আউটলুক আৰু য়াহু মেইলৰ দৰে প্ৰতিদ্বন্দ্বী প্লেটফৰ্মো আছে। অন্যহাতে ইলন মাস্কৰ লক্ষ্য হৈছে এক্স প্লেটফৰ্মক বহুকাৰ্যকৰী প্লেটফৰ্ম হিচাপে প্ৰতিষ্ঠা কৰা যিয়ে কেৱল ছ'চিয়েল মিডিয়াই নহয়, বজাৰ কৰা, পেমেণ্ট, আৰু ইমেইল সেৱাও প্ৰদান কৰিব। চৰ্চা অনুসৰি, ইলন মাস্কৰ এই পৰিকল্পনাৰে গুৰুত্বপূৰ্ণ অংশ হ'ব পাৰে এক্স মেইল। এক্স মেইল মুকলি হ'লে এতিয়া সমগ্ৰ বিশ্বতে বহু কথাই সলনি হৈ পৰাতো নিশ্চিত।

### নাহে কোনো পৰ্যটক, আগৰ দৰে বনভোজ খাবলৈও নহা হ'ল বনভোজপ্ৰেমী

# ঐতিহাসিক গৰখীয়া দৌলে আজি অকলে বিনাই! বহুদিনেই হ'ল মানুহ এজনৰো দেখাদেখি নাই



**ই-সংবাদ, নাজিৰা, ১৭ ডিচেম্বৰঃ** অসমৰ চাৰিওফালে আহোম যুগৰ ইতিহাস জিলিকি আছে বিশেষকৈ শিৱসাগৰ জিলাৰ ভিন্ন প্ৰান্ততে আহোম যুগৰ কীৰ্তিচিহ্ন দেখিবলৈ পোৱা যায়। কিছুমান কীৰ্তিচিহ্ন আজিও জিলিকি আছে আৰু কিছুমান লাহে লাহে ধ্বংস হৈ পৰিছে। আহোম যুগৰ ইতিহাস প্ৰসিদ্ধ এটি বিশেষ দৌল হৈছে শিৱসাগৰ জিলাৰ নাজিৰাত থকা গৰখীয়া দৌল। আহোম স্বৰ্গদেউ প্ৰতাপ সিংহৰ ৰাজত্বকালত নিৰ্মিত এটা মন্দিৰ-বিশেষ হৈছে গৰখীয়া দৌল। এই দৌলটো গড়গাঁও নগৰৰ পশ্চিম দিশত দিখৌ নৈৰ বিপৰীতে অৰ্থাৎ দক্ষিণ পাৰে আছে। এই দৌলটোক মহেশ্বৰ দৌল বা মহেশ্বৰৰ ঘৰ আৰু মাই দৌল বুলিও কোৱা হয়। স্বৰ্গদেউ প্ৰতাপ সিংহই ৰজা হোৱাৰ পাছত পূৰ্বতে পূজা কৰা শিৱলিংগটি গড়গাঁও নগৰৰ বিপৰীতে এই ঠাইত অষ্টকোণীয়া ভেটি-বিন্যাসেৰে দৌল নিৰ্মাণ কৰি থাপনা থাপি নিয়মিতভাৱে পূজা-সেৱা কৰিছিল। ইটাৰে নিৰ্মিত দৌলটিৰ ইটাৰ মণ্ডপ আৰু চৌদিশৰ পকীবেৰৰ চিনচাব বৰ্তমান পাবলৈ নাই। ১৭ শতিকাৰ আগভাগত নিৰ্মিত এই স্থাপত্যটিত আহোম যুগৰ প্ৰথম পৰ্যায়ত বিকাশ লাভ কৰা ইটাৰ নিদৰ্শন দেখিবলৈ পোৱা যায়। গৰখীয়া দৌল অৰ্থাৎ মহেশ্বৰ দৌলৰ শিৱলিংগটো এচটা শিলৰ ওপৰত থকাৰ বাবে ইয়াক পূজাশিল বুলিও কোৱা হয়। এই দৌলটো আহোম যুগৰ পিছৰ পৰ্যায়ত নিৰ্মিত দৌলসমূহতকৈ আকাৰত আপাততঃ সৰু যদিও প্ৰথম পৰ্যায়ত নিৰ্মিত দৌল হিচাপে ইয়াৰ গুৰুত্ব অপৰিসীম। এই দৌলৰ ভিতৰৰ প্ৰতিখন বেৰৰ দৈৰ্ঘ ১.২৫ মিটাৰ আৰু বাহিৰত ৩.৭০ মিটাৰ। পাদবিন্যাসৰ পৰা শিখৰলৈ উচ্চতা ৮ মিটাৰ। দৌলৰ শিখৰটো ওলোটাকৈ থোৱা চুপি আকৃতিৰ। গৰখীয়া দৌলৰ বাস্তুপুৰুষমণ্ডল বাহিৰে-ভিতৰে আঠকোণীয়া। পূৰ্বে ইয়াৰ সন্মুখত এটা সৰু আকাৰৰ আয়তক্ষেত্ৰাকাৰ মণ্ডপো আছিল। মণ্ডপৰ দীঘ বাহিৰে বাহিৰে ৫.৬৪ মিটাৰ আৰু প্ৰস্থ ৩.৭০ মিটাৰ আছিল। বৰ্তমান পুৰণি মণ্ডপৰ কোনো চিন-মোকাম পাবলৈ নাই। মধ্যযুগৰ প্ৰথম অৱস্থাত নিৰ্মিত গুৰুত্বপূৰ্ণ স্থাপত্য-কলা হিচাপে বিবেচিত মহেশ্বৰ দৌলৰ মণ্ডপ অংশ ইতিমধ্যে ভাগি পৰিছে। এই দৌলৰ কাষতে এটা পুখুৰীও খন্দা হৈছিল। সেই পুখুৰী বৰ্তমানে পোত গৈ সামান্য অৱশেষহে বাকী ৰৈছেগৈ। দৌলত বৰ্তমানেও পূজা-সেৱা কৰা হয়। চৰকাৰী নথিত ৫১ নম্বৰ দাগত এই দৌলৰ বাবে সংৰক্ষিত মাটি-কালি ৪ কঠা ১০ লোচা। ঐতিহাসিক গৰখীয়া দৌলক সুন্দৰ কৰি ৰখাৰ ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ পৰিৱৰ্তে অৱহেলিত ৰূপত গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে। বিগত কেইবাটাও বছৰ ধৰি এই ঐতিহাসিক ঠাইডোখৰ সুন্দৰ কৰি বনভোজ স্থলীলৈ ৰূপান্তৰ কৰা হৈছিল যদিও পুনৰ অৱহেলিত হৈ পৰিছে ঠাইডোখৰ। বিভাগীয় কৰ্তৃপক্ষৰ গুৰুত্বহীনতাৰ বাবেই হেৰাই যোৱাৰ পথত অগ্ৰসৰ হৈছে গৰখীয়া দৌল

---

# খোৱাঙত পুৰণি ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে বাগৰিছে নলাৰ দুৰ্গন্ধ পানী, নিৰ্বিকাৰ সংশ্লিষ্ট কৰ্তৃপক্ষ

## হাৰাশাস্তিৰ সন্মুখীন পথচাৰী, শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ দাবী ৰাইজৰ

**ই-সংবাদ, মৰাণ, ১৭ ডিচেম্বৰঃ** মেলে-মিটিঙে উন্নয়নৰ ঢাক-ঢোল বজোৱা বিজেপি চৰকাৰখনৰ উন্নয়নৰ ফোঁপোলা স্বৰূপ উদঙাইছে ডিব্ৰুগড় জিলাৰ খোৱাং বিধানসভা সমষ্টিৰ অন্তৰ্গত খোৱাঙৰ পুৰণি ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থাই। ৰাজ্যৰ প্ৰায়বোৰ সমষ্টিৰ গ্ৰামাঞ্চলৰ বাট-পথসমূহ ৰাইজৰ সুবিধাৰ্থে নিৰ্মাণকাৰ্য চলাই যোৱাৰ বিপৰীতে খোৱাং চাৰিআলিৰ পৰা খোৱাং আৰক্ষী থানালৈকে খোৱাং আৰু টিংখং সমষ্টি দুটাৰ সীমা হিচাপে থকা খোৱাঙৰ পুৰণি ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথছোৱা আজি পৰ্যন্ত সম্পূৰ্ণকৈ নিৰ্মাণ নোহোৱাটো খোৱাংবাসী ৰাইজৰ মাজত সম্প্ৰতি চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। খোৱাং চাৰিআলিৰ পৰা আৰম্ভ কৰি গেমন দলং সংলগ্ন আজি প্ৰায় ৪ বছৰ পূৰ্বে পথছোৱা যি পকীকৰণ কৰা হৈছিল বৰ্তমান পথটোৰ কিছু-কিছু অংশত পকী অংশ এৰাই যোৱাত যাতায়াতৰ ক্ষেত্ৰত ভীষণ অসুবিধাৰ সন্মুখীন হৈছে পথচাৰী। খোৱাং গাঁও পঞ্চায়ত কাৰ্যালয়ৰ ওচৰত সদাব্যস্ত পথটোৰ ওপৰেদি নলাৰ দুৰ্গন্ধ পানী নিগৰি যোৱাত ভীষণ হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া হৈছে পথচাৰীৰ লগতে স্থানীয় ৰাইজ। ভৰ বাৰিষা কথা বাদেই বৰ্তমান বৰষুণ নোহোৱা স্বত্বেও খোৱাং ঘাটলৈ অহা-যোৱা কৰা সকলো পথচাৰীয়ে উক্ত ঠাই ডোখৰ পাৰ হওঁতে নাক আৰু মুখমণ্ডল ৰুমালেৰে ঢাকি পাৰ হ'বলগীয়া হয়। সম্প্ৰতি খোৱাং সমজিলাৰ কাৰ্যালয়ৰ লগতে বিভিন্ন শিক্ষানুষ্ঠানলৈ অহা-যোৱা কৰা ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, চিকিৎসক-ৰোগী, বিত্তীয় প্ৰতিষ্ঠান, ব্যৱসায়-বাণিজ্যৰ উপৰি বিভিন্ন ক্ষেত্ৰত দৈনিক খোৱাং ঘাটলৈ অহা-যোৱা কৰা পথচাৰীৰ লগতে ওচৰ- চুবুৰীয়া ৰাইজ উক্ত ঠাই ডোখৰক লৈ ভীষণ হাৰাশাস্তি খাবলগীয়া হৈছে। এই ক্ষেত্ৰত অলপো চিন্তিত নহয় গড়কাপ্তানী বিভাগ আৰু জনপ্ৰতিনিধিগৰাকী। মনকৰিবলগীয়া যে পথটোৰ দুয়োপাৰে খোৱাং আৰক্ষী থানাৰ সন্মুখৰ পৰা আৰম্ভ কৰি আঠাবাৰী তিনিআলিলৈকে পানী ওলাই যাব পৰাকৈ পকী নলা নিৰ্মাণ কৰা হয় যদিও অৰ্ধনিৰ্মিত হৈ থকা নলা দুটাই ৰাইজক বিপদত পেলাইছে। নলাকেইটাৰ যোগেদি ওলাই যোৱা দুৰ্গন্ধ পানীসমূহ ক'ত, কেনেকৈ পেলোৱা হ'ব আজিৰ পৰ্যন্ত কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ৰাইজ বিপাঙত পৰিছে। ৰাইজৰ সুবিধাৰ্থে উক্ত নলাৰ লেতেৰা দুৰ্গন্ধ পানী ওলাই যোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ খোৱাং সমজিলাৰ আয়ুক্তগৰাকীক খোৱাংবাসী ৰাইজে কাতৰ আহ্বান জনাইছে।

# নগাঁৱত আৰক্ষীৰ হাতত পিস্তলসহ ধৃত ড্ৰাগছ মাফিয়া

**ই-সংবাদ, বেবেজীয়া, ১৭ ডিচেম্বৰঃ** নগাঁও জিলাৰ উত্তৰ-পশ্চিমাঞ্চল যেন এতিয়া অপৰাধীৰ ৰম্যভূমিত পৰিণত হৈ পৰিছে। কিয়নো উক্ত গ্ৰামাঞ্চলবোৰত সঘনে সংঘটিত হৈ অহা চুৰি, ডকাইটিৰ দৰে ঘটনাৰ সমান্তৰালভাৱে নিষিদ্ধ ড্ৰাগছৰ বেহাই সামাজিক পৰিৱেশ কলুষিত কৰি পেলাইছে। দীৰ্ঘদিনৰে পৰা উক্ত গ্ৰামাঞ্চলবোৰত আৰক্ষীয়ে ড্ৰাগছ বিৰোধী অভিযান অব্যাহত ৰাখিছে যদিও আৰক্ষীৰ দুৰ্বলতাৰ সুযোগ লৈ ড্ৰাগছ ব্যৱসায়ী চক্ৰই আৰক্ষীলৈ কেৰেপ নকৰি চলাই আহিছে ড্ৰাগছৰ ৰমৰমীয়া বেহা। ইয়াৰ মাজতে জুৰীয়া আৰক্ষীৰ জালত পৰে পিষ্টলসহ এটা কুখ্যাত ড্ৰাগছ মাফিয়া। ধৃত ড্ৰাগছ মাফিয়াটো হৈছে জুৰীয়া আৰক্ষী থানাৰ এলেকাধীন বেপাৰী বস্তিৰ চাহজাহান আলী। এক গোপন সূত্ৰৰ পম খেদি জুৰীয়া আৰক্ষী থানাৰ উপ পৰিদৰ্শক শান্তনু দত্তৰ নেতৃত্বত আৰক্ষীৰ দলে সোমবাৰে নিশা কদমনি পথাৰৰ বেপাৰী বস্তিত অতৰ্কিতে অভিযান চলাই কুখ্যাত ড্ৰাগছ মাফিয়াটোক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। এই অভিযানত আৰক্ষীয়ে ধৃত চাহজাহান আলীৰ পৰা পাঁচ জাই সক্ৰিয় গুলীৰ সৈতে এটা নাইন এম এম পিষ্টল জব্দ কৰে। দীৰ্ঘদিনৰে পৰা ড্ৰাগছৰ গোপন বেহাৰ সৈতে জড়িত থকা এই ড্ৰাগছ মাফিয়াটোক ইয়াৰ পূৰ্বেও ড্ৰাগছসহ আৰক্ষীয়ে আটক কৰিছিল বুলি জানিব পৰা গৈছে।

# তামুলপুৰত কে. ভি. সংগঠনৰ প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, তামুলপুৰ, ১৭ ডিচেম্বৰঃ** তামুলপুৰৰ পিএম শ্ৰী কেন্দ্ৰীয় বিদ্যালয়ত অলপতে কেন্দ্ৰীয় বিদ্যালয় সংগঠনৰ ৬২ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। এই উপলক্ষে এক বৃহৎ আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হয়। অনুষ্ঠানৰ মুখ্য অতিথি হিচাপে তামুলপুৰৰ জিলা আয়ুক্ত উপস্থিত থাকি বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। এই অনুষ্ঠানত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে বাৰেৰহণীয়া নৃত্য-গীত আৰু বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী প্ৰদৰ্শন কৰে। কেন্দ্ৰীয় বিদ্যালয়ৰ অধ্যক্ষ ৰাজু কুমাৰ দাসে কেন্দ্ৰীয় বিদ্যালয় সংগঠনৰ বিষয়ে বিস্তৃত তথ্য উপস্থাপন কৰাৰ লগতে বিদ্যালয়ৰ এক প্ৰতিবেদনো দাখিল কৰে। প্ৰতিষ্ঠা দিৱসত তামুলপুৰ জিলা আয়ুক্ত তথা বিদ্যালয় ব্যৱস্থাপনা সমিতিৰ অধ্যক্ষ পংকজ চক্ৰৱৰ্তীয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি উদগনিমূলক বক্তৃতা প্ৰদান কৰাৰ লগতে বিভিন্ন পৰামৰ্শ দিয়ে। অনুষ্ঠানটোৰ আঁত ধৰে কেন্দ্ৰীয় বিদ্যালয়, তামুলপুৰৰ সহকাৰী শিক্ষক অৰুণ যাদৱে।

## বাহনৰ চালকৰ আসনত উদ্ধাৰ দুটাকৈ ছাগলী, চোৰৰ পলায়ন

# হাজোৰ ৰামদিয়াত দ' খাৱৈত সোমাল ছাগলী চোৰৰ বিলাসী বাহন

**ই-সংবাদ, হাজো, ১৭ ডিচেম্বৰঃ** শেহতীয়াকৈ হাজোত বৃদ্ধি হৈছে গৰু-ছাগলী চুৰিৰ ঘটনা। প্ৰতিদিনে ভিন্ন অঞ্চলৰ পৰা নোহোৱা হৈছে এটাৰ পিছত আন এটা গৰু-ছাগলী। আৰক্ষীৰ চকুত ধূলি দি এই চক্ৰটোৱে প্ৰতিদিনে চলাই গৈছে চুৰি কাণ্ড। আজি দুপৰীয়াৰ ভাগত এএছ-০১ এফএফ-২৪৮২ নম্বৰৰ এখন বেলেন' বাহনে হাজো দিশৰ পৰা দুটা ছাগলী চুৰি কৰি আনে। কিন্তু দিন বেয়া আছিল ছাগলী চোৰৰ। চুৰি কাৰ্যত ব্যৱহৃত বিলাসী বাহনখন প্ৰথমে হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰৰ সমীপত এটা বিদ্যুতৰ খুঁটাত প্ৰচণ্ড খুন্দা মাৰি ৰামদিয়াৰ পিনে পলায়ন কৰে। কিন্তু হাজো-ৰামদিয়া পথত আৰক্ষীৰ বাহন দেখি ছাগলী চুৰি কৰা বাহনখন ৰামদিয়াৰ হীৰাপাৰা-মিলপাৰা পথৰে পলায়নৰ চেষ্টা কৰে। কিন্তু উক্ত পথছোৱাত আছিল এখন বাঁহৰ সাঁকো। বাঁহৰ সাঁকোৰ ওপৰেৰে বিলাসী বাহনখন পাৰ হ'ব খোজোতেই সাঁকো ভাঙি তলত পৰে ছাগলী চুৰি কৰা বাহনখন। লগে লগে অঞ্চল জুৰি হুৱা-দুৱাৰ সৃষ্টি হয়। ঘটনাস্থলীত স্থানীয় ৰাইজ উপস্থিত হোৱাত ছেগ বুজি পলায়ন কৰে গাড়ীখনৰ ভিতৰত থকা চাৰিজনকৈ ছাগলী চোৰে। অৱশেষত স্থানীয় আৰক্ষী উপস্থিত হৈ গাড়ীখন পাৰলৈ তোলাৰ ব্যৱস্থা কৰে। লগতে গাড়ীখনৰ ভিতৰৰ পৰা উদ্ধাৰ কৰে দুটাকৈ চুৰি ছাগলী। আৰক্ষীয়ে ছাগলীসহ গাড়ীখন জব্দ কৰি ৰামদিয়া আৰক্ষী থানালৈ নিয়ে।



পলায়নৰ চেষ্টা চলাওতে হাজোত এনেদৰে বাগৰি পৰিল ছাগলী চোৰৰ বাহন, ফটোঃ ই-সংবাদ, হাজো

# চেঙাৰ বাঘমাৰাত সুদখোৰৰ অতপালি, শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ দাবী

**ই-সংবাদ, শিমলীতোলা, ১৭ ডিচেম্বৰঃ** মুখ্যমন্ত্ৰীৰ কাঢ়া নিৰ্দেশৰ পিছতো অব্যাহত আছে একাংশ সুদখোৰৰ অতপালি। মুখ্যমন্ত্ৰীৰ নিৰ্দেশক অংগুষ্ঠ দেখুৱাই এইবাৰ বৰপেটা জিলাৰ চেঙা সমষ্টিৰ আলোপতি চৰ আৰক্ষী থানাৰ অন্তৰ্গত ৩ নং বাঘমাৰা চৰৰ আনোৱাৰ হুছাইনে সুদৰ ব্যৱসায়। অভিযোগ মতে, আনোৱাৰে ৩ নং বাঘমাৰা চৰৰে ছাদ্দাম হুছেইন খানক সুদত টকা দিছিল। কিন্তু ইতিমধ্যে সুদে মূলে টকা ঘূৰাই দিয়াৰ পাছতো আনোৱাৰ হুছাইন নামৰ সুদখোৰজনে টকা পোৱা নাই বুলি কৈ ছাদ্দাম হুছেইন খানক বিভিন্ন সময়ত ভয়-ভাবুকি দি আহিছিল। তদুপৰি ছাদ্দাম হুছেইন খানৰ ঘৰত যোৱা নিশা আনোৱাৰ হুছাইন নামৰ সুদখোৰজনৰ নেতৃত্বত তিনিজনীয়া দুৰ্বৃত্তৰ দলে প্ৰৱেশ কৰি ঘৰৰ খিৰিকী ভাঙি ছাদ্দাম হুছেইন খানক আক্ৰমণৰ চেষ্টা চলায়। এই আক্ৰমণৰ পৰা কোনোমতে প্ৰাণ ৰক্ষা কৰি পলায়ন কৰে ছাদ্দাম হুছেইনে। উল্লেখ্য যে ই-ৰিক্সা চলাই কোনোমতে পৰিয়াল পোহপাল দিয়া ছাদ্দাম হুছাইন খানৰ ঘৰত ৰুগীয়া মাতৃ আছে যদিও টকাৰ অভাৱত চিকিৎসা কৰিব পৰা নাই। সুদখোৰৰ নিৰ্যাতনত অতিষ্ঠ হৈ ইতিমধ্যে ভুক্তভোগী পৰিয়ালৰ ফালৰ পৰা আলোপতি চৰ আৰক্ষী থানাত সুদখোৰ আনোৱাৰ হুছাইনৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা হয়। সুদখোৰৰ বিৰুদ্ধে আৰক্ষী কঠোৰ হোৱাৰ পিছতো সুদখোৰৰ নিৰ্যাতনত অতিষ্ঠ হৈ ই-ৰিক্সা চালক ছাদ্দাম হুছাইন খানে সুদখোৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী তথা আৰক্ষী বিভাগক দাবী জনাইছে।

# হাজোত বাইক দুৰ্ঘটনাত থিতাতে এজনৰ মৃত্যু

**ই-সংবাদ, হাজো, ১৭ ডিচেম্বৰঃ** কামৰূপ জিলাৰ হাজোত আজি দুপৰীয়া সংঘটিত হয় এক ভয়ংকৰ মটৰ চাইকেল দুৰ্ঘটনা। এই দুৰ্ঘটনাত এজন যুৱক থিতাতে নিহত হোৱাৰ লগতে অন্য এজন যুৱক গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাৰ ফলত থিতাতে নিহত যুৱকজন হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত গাঁওবুঢ়া পামৰ শ্বহৰ আলীৰ পুত্ৰ চবুৰুদ্দিন আলী ওৰফে বাবু (২৪) বুলি চিনাক্ত কৰা হয়। আনহাতে, গুৰুতৰভাৱে আহত যুৱকজন ৰামদিয়া আৰক্ষী চকীৰ অন্তৰ্গত তাপাবৰী চৰৰ কুৰফান আলীৰ পুত্ৰ মুকৰম আলী(২৩) বুলি জানিব পৰা গৈছে। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, আজি দুই বন্ধু ক্ৰমে গাঁওবুঢ়া পামৰ চবুৰুদ্দিন আলী ওৰফে বাবু আৰু হাজো তাপাবৰী চৰৰ মুকৰম আলীয়ে এএছ-০১ এফ এক্স-৫০৯৫ নম্বৰৰ এফ জেড মটৰ চাইকেলেৰে নিজ গৃহৰ পৰা ম'বাইল ৰিপিয়াৰিং কৰিবলৈ হাজোলৈ আহিছিল। ম'বাইল ৰিপিয়াৰিং কৰি দুই বন্ধুৱে হাজো বংশৰ হৈ নৱনিৰ্মিত চাৰিলেন যুক্ত পথেৰে নিজ গৃহলৈ বুলি গৈ থকা অৱস্থাত ভেলামাৰী পোৱা মাত্ৰকে নিয়ন্ত্ৰণ হেৰুৱাই ডিভাইডাৰত প্ৰচণ্ড জোৰে খুন্দা মাৰে আৰু দুই বন্ধু বহু দূৰত চিটিকি পৰে। ফলত অধিক ৰক্তক্ষৰণ হৈ দুই বন্ধুৰ এজনৰ থিতাতে মৃত্যু হোৱাৰ লগতে আনজন যুৱক গুৰুতৰভাৱে আহত হয়। আহত যুৱকজনক ততালিকে একাংশ স্থানীয় লোকে হাজো বিষ্ণুৰাম মেধি সামূহিক চিকিৎসালয়ত ভৰ্তি কৰে। পিছত চিকিৎসকে আহত যুৱকজনক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। ইপিনে, ঘটনাৰ খবৰ পাই হাজো আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লৈ মৃতদেহৰ লগতে দুৰ্ঘটনা সংঘটিত হোৱা বাইকখন থানালৈ লৈ আনে।

## দণ্ডাধীশ পৰ্যায়ৰ তদন্ত দাবী চাহ শ্ৰমিক মুক্তিসহ ২ সংগঠনৰ

# বৰছিলাত নলা নিৰ্মাণৰ কামত ব্যাপক অনিয়মৰ অভিযোগ

**ই-সংবাদ, গেলেকী, ১৭ ডিচেম্বৰঃ** দুৰ্নীতি, শূন্য সহনশীলতাৰ কথা কোৱা চৰকাৰখনৰ দিনতেই পোহৰলৈ আহিছে অন্য এক অনিয়ম তথা বিসংগতিৰ তথ্য। আমগুৰি উন্নয়ন খণ্ডৰ অন্তৰ্গত বৰছিলা গাঁও পঞ্চায়তৰ বৰছিলা দৈনিক বজাৰৰ সমীপত পঞ্চদশ বিত্তীয় আয়োগৰ দ্বাৰা নিৰ্মাণৰত কামত ঠিকাদাৰে ব্যাপক অনিয়ম সংঘটিত কৰাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ উত্থাপন কৰিছে চাহ শ্ৰমিক মুক্তি সংগ্ৰাম সমিতি আৰু অসম চাহ জনজাতি যুৱ-ছাত্ৰ পৰিষদে। ইতিমধ্যে এই দুই সংগঠনে উক্ত বিষয় সন্দৰ্ভত আমগুৰি ৰাজহ চক্ৰ বিষয়াৰ যোগেদি জিলা আয়ুক্তলৈ লিখিত অভিযোগ দাখিল কৰিছে। অভিযোগ অনুসৰি বৰছিলা চাহ বাগিচা তিনিআলিৰ পৰা বৰছিলা গাঁও পঞ্চায়তৰলৈকে ১০০ মিটাৰ কাম ২০১৬-১৭ চনৰ চতুৰ্দশ বিত্তীয় আয়োগৰ পুঁজিৰে নিৰ্মাণ কৰা আৰু বৰছিলা গাঁও পঞ্চায়তৰ পৰা শ্ৰী শ্ৰী দুৰ্গা মন্দিৰলৈকে ২০২০-২১ বৰ্ষৰ পঞ্চদশ বিত্তীয় আয়োগৰ প্ৰথম আৰু দ্বিতীয় কিস্তিৰ প্ৰায় ১০ লাখ টকাৰে নিৰ্মাণৰত ২০০ মিটাৰৰ নলাৰ কামত ঠিকাদাৰে নিম্নমানৰ কাম কৰাৰ অভিযোগ উঠিছে। কামত ব্যৱহৃত সামগ্ৰীৰ লগতে সম্পূৰ্ণ কাম বিসংগতি পূৰ্ণভাৱে নিৰ্মাণ হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে সংগঠন দুটাই। বিভাগৰ অভিযন্তাৰ লগতে পঞ্চায়তৰ অন্যান্য বিষয়া থকাৰ পাছতো কেনেদৰে ঠিকাদাৰে নিম্নমানৰ কাম কৰিবলৈ সুবিধা পালে তাক লৈও প্ৰশ্ন উত্থাপন কৰিছে সংগঠন দুটাই। স্মাৰক পত্ৰৰ যোগেদি অনতিপলমে এই কামৰ দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ বাবে দাবী জনাইছে সংগঠন দুটাই। অন্যথাই গণতান্ত্ৰিক আন্দোলনৰ হুংকাৰ প্ৰদান কৰিছে।

# উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত বিজয় দিৱস উদযাপন

**ই-সংবাদ, উত্তৰ লখিমপুৰ, ১৭ ডিচেম্বৰঃ** উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত আজি বলিগাঁও যুৱক সংঘ আৰু বলিগাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ সহযোগত বিজয় দিৱস উদযাপন কৰা হয়। উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ নৱজ্যোতি বৰাই আঁত ধৰা অনুষ্ঠানত বিজয় দিৱস সম্পৰ্কে বক্তব্য প্ৰদান কৰে বলিগাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক বিউটী বৰুৱাই। সভাত বিজয় দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে বলি গাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ সহকাৰী শিক্ষক নিতুল ৰাজখোৱাই। সভাত বৰ্তমান সময়ত বিজয় দিৱসৰ প্ৰাসংগিকতা সম্পৰ্কে বক্তব্য ৰাখে বলি গাঁও মধ্য ইংৰাজী বিদ্যালয়ত সহকাৰী শিক্ষক বাবুল হাজৰিকাই। উক্ত অনুষ্ঠানত উপস্থিত থাকি উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ ৰূপমজ্যোতি চেতিয়াই বিজয় দিৱসৰ সভাৰ পৰা উপস্থিত যুৱক-যুৱতীসকলে অনুপ্ৰেৰণা পাব পৰাকৈ ভাষণ প্ৰদান কৰে। ইয়াৰ উপৰি আজি উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত আৰু বলিগাঁও যুৱক সংঘ আৰু বলিগাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ সহযোগত আয়োজন কৰা বিজয় দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকি বলিগাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ সহকাৰী শিক্ষক ক্ৰমে ৰঞ্জিতা বৰা, পৰিস্মিতা বৰা, সীমা ফুকন, ৰাছিড আলী, উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ ৰূপজ্যোতি গগৈয়ে উপস্থিত যুৱক-যুৱতীসকলৰ আগত ভাষণ প্ৰদান কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# ব্যতিক্ৰম! ছিপাঝাৰত বনভোজথলীত গ্ৰন্থ উন্মোচন

**ই-সংবাদ, ছিপাঝাৰ, ১৭ ডিচেম্বৰঃ** দৰঙৰ ঐতিহ্যময় শিক্ষানুষ্ঠান মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰাবাসত বিগত আশীৰ দশকৰ এচাম আবাসী প্ৰায় দুকুৰি বছৰৰ মূৰকত দৰঙৰ অন্যতম পৰ্যটনথলী তিনিসুঁতিমুখত লগ হয় এটি বনভোজৰ জৰিয়তে। এই বনভোজথলীত অন্তৰংগ আলাপ, গীত-মাত, নাট্য সংলাপ, কবিতা আবৃতি আদিৰে মুখৰিত এক অনুষ্ঠানত আবাসীসকলৰ ছাত্ৰাবাসত থকা সময়ছোৱাৰ স্মৃতি সম্বলিত ঘটনাৱলীৰ লগতে চমু জীৱনপঞ্জীৰে এখনি গ্ৰন্থও উন্মোচন কৰা হয়। দৰং জিলাৰ বিভিন্ন প্ৰান্তৰ আবাসীৰ লগতে ওদালগুৰি, শোণিতপুৰ, কামৰূপ(ম) আদিৰ পৰা সেই সময়ৰ আবাসীসকলে কেবা দশকৰ পিছত একত্ৰিত হৈ নষ্টালজিক হৈ পৰে। উল্লেখ্য যে, এইসকলৰ প্ৰায় সৰহসংখ্যক আবাসীয়ে ইতিমধ্যে কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰিছে। স্মৰ্তব্য, ১৯৭৮ চনত মঙলদৈ মহাবিদ্যালয়ৰ দক্ষিণ পশ্চিম দিশত নিৰ্মিত সেই ছাত্ৰাবাসটি পিছলৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ পাঠদান কোঠালৈ পৰিৱৰ্তিত হয়। অশীৰ দশকত থকা সেই ছাত্ৰসকলৰ কৰ্মসংস্থান, ঘৰ-সংসাৰ আদিৰ দায়িত্বৰ বাবে যোগাযোগ প্ৰায় বিচ্ছিন্ন হৈ পৰিছিল। তথাপি যেন আটায়ে পুনৰ মুখামুখি হোৱাৰ হেঁপাহকণ মনত পুহি ৰখাৰ সমান্তৰালভাৱে মিলন মুহূৰ্তক গ্ৰন্থ আকাৰে চিৰযুগমীয়া কৰি ৰখাৰো পৰিকল্পনা কৰিছিল। কিন্তু পৰিতাপৰ বিষয় আবাসীসকলৰ কিছু সংখ্যক সহপাঠীৰ লগতে অধীক্ষক ইতিমধ্যে স্বৰ্গগামী হয়। সেয়ে গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ আৰম্ভণিতে সেইসকল প্ৰয়াত ব্যক্তি ক্ৰমে ছাত্ৰাবাসৰ অধীক্ষক ডঃ দিপ্তী প্ৰসাদ বৰুৱা, ক্ষীতেশ্বৰ কোচ, ডঃ মহেন্দ্ৰ প্ৰসাদ বৰুৱা, অধ্যাপক প্ৰবীণ বৰুৱা, কৰ্মচাৰী হৰেণ সুত, ভৱেন নাথ আৰু প্ৰতাপ সুতৰ ৰ বিয়োগত শোক প্ৰকাশ কৰা হয়। ইয়াৰ পিছতে শিৱ প্ৰসাদ শৰ্মাই আঁত ধৰা আৰু হেৰম্ব কুমাৰ নাথে সঞ্চালনা কৰা অন্তৰংগ আলাপত উমেশ বৰদলৈ, ডিম্বেশ্বৰ শৰ্মা, কুসুম বৰা, মোজামিল হুছেইন, তৰুণ নাথ, শশধৰ হাজৰিকা, কুলেন নাথ, অমৰজ্যোতি চহৰীয়া, নন্দেশ্বৰ ঠাকুৰীয়া, প্ৰবীণ তামুলী, নীলকণ্ঠ বৰা, মণিৰাম বড়ো, শিৱ নাথ, নৰ শৰ্মা, মৃদুল বৰা, জেহিৰুল হক, দিলীপ ৰাভা আদিকে ধৰি কেবাজনো আবাসীয়ে অতীত স্মৃতি সুৱৰি হাঁহিৰ খোৰাক যোগায়। অনুষ্ঠানটিত অতুল চহৰীয়াৰ গীতৰ শৰাই, হৰেশ্বৰ চমুৱা, শিৱ শৰ্মা আৰু ৰঞ্জু শৰ্মাই কবিতা পাঠ কৰে। ইয়াৰ পিছতে ১৯৮১-৮৬ চনৰ আবাসীসকলৰ চমু জীৱন পঞ্জী আৰু হোষ্টেলৰ স্মৃতি সম্বলিত লেখনিৰে 'ৰোমন্থন' নামৰ অৱনী মোহন নাথ আৰু মদন নাথ সম্পাদিত গ্ৰন্থখনি উন্মোচন কৰা হয়। গ্ৰন্থ উন্মোচনৰ মাজতে সেই সময়ৰ ৰান্ধনি বাসুদেৱ শৰ্মাৰ লগতে অৱসৰপ্ৰাপ্ত শিক্ষক দিলীপ শৰ্মা, নৰ কুমাৰ তামুলীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

# শংকৰদেৱ সংঘৰ ধূপধৰা আঞ্চলিক শাখাৰ সোণালী জয়ন্তী

**ই-সংবাদ, ধূপধৰা, ১৭ ডিচেম্বৰঃ** অহা ৩, ৪ আৰু ৫ জানুৱাৰীত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ধূপধৰা আঞ্চলিক শাখাৰ পঞ্চাশ বছৰ পূৰ্তি হোৱা উপলক্ষে ধনুভাঙাৰ মাদাং প্ৰাথমিক শাখাৰ নামঘৰ প্ৰাংগনত সোণালী জয়ন্তী অধিৱেশন উদযাপন কৰা হ'ব। এই অধিৱেশন উপলক্ষে মঙলবাৰে 'প্ৰয়াত নবীন চন্দ্ৰ দাস সমন্বয় ক্ষেত্ৰ' ত অধিৱেশনৰ লাইখুঁটা স্থাপন কৰা হয়। ধূপধৰা আঞ্চলিক শাখাৰ ভকত বৈষ্ণৱ, আইমাতৃ, সেৱক-সেৱিকা, আদৰণি সমিতি, শুভাকাংক্ষী ৰাইজৰ উপস্থিতিত হৰিনাম ধ্বনিৰে ধূপধৰা আঞ্চলিক শাখাৰ সভাপতি লক্ষণ পাটগিৰিয়ে লাইখুঁটা স্থাপন কৰে। লাইখুঁটা স্থাপন কৰি লক্ষণ পাটগিৰিয়ে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি-আদৰ্শৰ লগতে ধূপধৰা প্ৰাথমিক শাখাৰ পঞ্চাশ বছৰীয়া ইতিহাসক সোঁৱৰণ কৰি বক্তব্য প্ৰদান কৰে। আদৰণি সমিতিৰ সম্পাদক ভৱেশ দাসে আঁত ধৰা লাইখুঁটা স্থাপন কাৰ্যসূচীত জিতুমনি দাস, ধূপধৰা আঞ্চলিক শাখাৰ উপদেষ্টাদ্বয়ে ক্ৰমে প্ৰাণেশ্বৰ কলিতা আৰু বীৰেন্দ্ৰ চন্দ্ৰ কছাৰী, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী পাৰিষদ ফনীন্দ্ৰ ৰাভা, গোৱালপাৰা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক প্ৰাণজিত দাসৰ লগতে শংকৰ সংঘৰ মাদাং প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সম্পাদক তথা জিলা শাখাৰ প্ৰাক্তন সভাপতি বিশ্বনাথ দাস প্ৰমুখ্যে সংঘৰ কেবাগৰাকী বিষয়ববীয়া আদি উপস্থিত থাকে। লাইখুঁটা স্থাপন কাৰ্যসূচীৰ পিছতে সোণালী জয়ন্তী উদযাপনৰ আদৰণি সমিতিৰ সভাপতি লোহিত দাসৰ সভাপতিত্বত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত সোণালী জয়ন্তী অধিৱেশন সন্দৰ্ভত আলোচনা কৰা হয়।




নগাঁৱত প্ৰাক্তন সাংসদ বিষ্ণু প্ৰসাদৰ গ্ৰন্থ উন্মোচনৰ এটি বিশেষ মুহূৰ্ত, ফটোঃ ই-সংবাদ, বেবেজীয়া

# নগাঁৱত প্ৰাক্তন সাংসদ, বৰ্ষীয়ান ৰাজনীতিবিদ বিষ্ণু প্ৰসাদৰ গ্ৰন্থ উন্মোচন

**ই-সংবাদ, বেবেজীয়া, ১৭ ডিচেম্বৰঃ** প্ৰাক্তন সাংসদ, প্ৰাক্তন মন্ত্ৰী, লেখক তথা বৰ্ষীয়ান ৰাজনীতিবিদ বিষ্ণু প্ৰসাদৰ দুখনকৈ গ্ৰন্থ সোমবাৰে উন্মোচন কৰা হয়। সেই উদ্দেশ্যে নগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত কমলা দেৱী তোদী স্মৃতি ভৱনত এখনি সভা অনুষ্ঠিত কৰা হয়। নগাঁও জিলা সাহিত্য সভাৰ সভাপতি থগিত মহন্তৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সভাখনিত প্ৰাক্তন সাংসদগৰাকীৰ 'স্মৃতি আৰু চিন্তা' শীৰ্ষক প্ৰবন্ধ আৰু 'মদাৰ ফুলৰ গোন্ধ' শীৰ্ষক গল্প সংকলন দুখন আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। মুনিন্দ্ৰ শইকীয়াৰ দ্বাৰা সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ এটি গীত পৰিৱেশনেৰে শুভাৰম্ভ হোৱা সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰে নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকাই। প্ৰচাৰ সম্পাদক কল্যাণ কুমাৰ বৰাই আঁত ধৰা সভাখনিত নগাঁও মহাবিদ্যালয়ৰ অধ্যাপক ড০ দীপক বৰাই 'মদাৰ ফুলৰ গোন্ধ' শীৰ্ষক গল্প সংকলনখনি উন্মোচন কৰি কয় যে বিষ্ণু প্ৰসাদৰ এই গল্প সংকলনত লেখকৰ পাঁচটা গল্প আছে। এই গল্পসমূহত মানৱতাবাদ, প্ৰেম, বিৰহ, সামাজিক মূল্যবোধৰ লগতে প্ৰগতিবাদী চিন্তা পৰিস্ফুট হৈছে। ঠিক সেইদৰে 'স্মৃতি আৰু চিন্তা' শীৰ্ষক প্ৰবন্ধ সংকলনখনি উন্মোচন কৰি অৱসৰপ্ৰাপ্ত অধ্যাপক, গৱেষক ড০ সঞ্জীৱ বৰকাকতীয়ে এই সংকলনখনৰ প্ৰবন্ধসমূহত গভীৰ সমাজ চেতনাৰ পৰিচয় পোৱা যায় বুলি উল্লেখ কৰি সমাজৰ বিভিন্ন দিশৰ বিভিন্ন বিষয়বোৰে যিদৰে তেওঁৰ অনুভৱ আৰু চিন্তাক আকৰ্ষিত কৰি আহিছে, তাৰে এটি সম্যক পৰিচয় পোৱা যায় বুলি মন্তব্য কৰে। সভাত বৰ্ষীয়ান ৰাজনীতিবিদ তথা গ্ৰন্থ দুখনৰ লেখক বিষ্ণু প্ৰসাদে গ্ৰন্থ দুখনৰ সন্দৰ্ভত কয়ে যে মই কোনোকালে সাহিত্যিক নাছিলো। কিন্তু জীৱনৰ বাস্তৱ অভিজ্ঞতাসমূহ লিখিছিলো। জীৱনৰ উপলব্ধি, অনুভৱ ব্যস্ততাৰ মাজতো লিখি গৈছিলো । আচলতে মোৰ বন্ধুৰ তাগিদাত মই মোৰ জীৱন কথা লিখিছিলো। গাম্ভীৰ্যপূৰ্ণ সভাখনিত নগাঁও জিলা সাহিত্য সভাৰ উপ-সভাপতি উপেন বৰা, প্ৰাক্তন উপ-সভাপতি ভৱেশ মেধি, সুবক্তা মোহিনী মোহন ডেকা, সাংবাদিক কনক হাজৰিকা, বীৰেণ বৰা, দিব্যজ্যোতি বৰুৱা, লেখক মৃদুপৱন বৰা, বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ গুৰুমুখ সিং, কলংপাৰ কাকতৰ সম্পাদক ফজলুল হক মৰল, ৰাম কুমাৰ ভট্টাচাৰ্য, ৰাইদঙীয়া হলিৰাম শইকীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মুক্তি দাস, সমাজকৰ্মী মুনিন্দ্ৰ শইকীয়া, চেনিৰাম শইকীয়া, স্বপ্না বৰাকে প্ৰমুখ্যে কৰি বিষ্ণু প্ৰসাদৰ পৰিয়ালবৰ্গ উপস্থিত থাকে।

# বিহালীত স্বয়ম্ভূ চিকিৎসকে প্ৰাণ কাঢ়িলে দুৰ্ভগীয়া শ্ৰমিকৰ

**ই-সংবাদ, বিশ্বনাথ, ১৭ ডিচেম্বৰঃ** ৰাজ্যৰ জিলাই জিলাই মেডিকেল কলেজ হাস্পতাল, সৰ্বত্ৰে শাসনাধিষ্ঠিত চৰকাৰৰ উন্নয়নৰ জয়গান। তাৰ মাজতে বিহালীত মুন্নাভাই এমবিবিএছৰূপী চিকিৎসকৰ চিকিৎসাত দৰং জিলাৰ খাৰুপেটীয়াৰ কুৰবান আলী (৩০) নামৰ এজন শ্ৰমিকৰ মৃত্যু হোৱাৰ ভয়ংকৰ তথ্যই জোকাৰণিৰ সৃষ্টি কৰিছে বিহালীত। তথ্যমতে, বিহালীৰ চেৰেলীয়াস্থিত এআৰবি ইটাভাটাত কাম কৰিবলৈ আহিছিল কুৰবান আলী নামৰ শ্ৰমিকজন। বিহালীৰ চেৰেলীয়াৰ অজয় মেডিকেল নামৰ ফাৰ্মাচীখনৰ অজয় কিষাণ ৰজত নামৰ ভুৱা চিকিৎসকজনে শ্ৰমিক কুৰবান আলীক এটা বেজী দিয়াৰ পিছতেই কুৰবান আলীৰ মৃত্যু হয়। ইপিনে, ঘটনা সন্দৰ্ভত বিহালী আৰক্ষীয়ে অজয় মেডিকেলৰ স্বত্বাধিকাৰী অজয় কিষাণ ৰজতক ১০৬/২৪ নম্বৰৰ গোচৰৰ ভিত্তিত ১০৩ বিএনএছ ধাৰাত গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰিছে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও যোৱা ২১ ছেপ্টেম্বৰত বিহালী চেৰেলীয়াৰ নিবাসী অনিল ওৰাঙৰ পত্নী ৰাখী ওৰাং (২৪) নামৰ মহিলাগৰাকীক বলপূৰ্বক বেজী দিয়াত মহিলাগৰাকীৰ মৃত্যু হৈছিল। সেই সময়ত বিহালীৰ দল-সংগঠনে ভুৱা চিকিৎসকৰ বিৰুদ্ধে কঠোৰ দাবী উত্থাপনৰে ফাৰ্মাচীখন ছীল কৰিবলৈ দাবী জনোৱাৰ উপৰি ফাৰ্মাচীখনত তলা লগাই দিছিল। তাৰ পিছত জিলা ঔষধ পৰিদৰ্শকৰ হস্তক্ষেপত পুনৰ ফাৰ্মাচীখন মুকলি কৰি নাৰ্ছিংহোমৰ দৰে চিকিৎসা চলাই আহিছিল। জিলা ঔষধ বিভাগৰ পৰিদৰ্শক, বিশ্বনাথ জিলা প্ৰশাসনৰ হেমাহিৰ বাবে পুনৰ কুৰবান আলীৰ মৃত্যু হোৱা বুলি দাবী কৰি বিশ্বনাথ জিলা ঔষধ পৰিদৰ্শকতো আটক কৰাৰ দাবী উত্থাপন কৰিছে ৰাইজে।

# মোৰাঝাৰত নিষিদ্ধ ড্ৰাগছসহ এজনক আটক

**ই-সংবাদ, মোৰাঝাৰ, ১৭ ডিচেম্বৰঃ** হোজাইৰ মোৰাঝাৰত পুনৰ নিষিদ্ধ ড্ৰাগছসহ এজন লোকক আটক কৰে মোৰাঝাৰ আৰক্ষীয়ে। আটকাধীন লোকজনৰ নাম কৌচৰ আহমেদ। কৌচৰৰ ঘৰ চাৰিং পথাৰত। মোৰাঝাৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পৰিদৰ্শক নিখিল চন্দ্ৰ ৰয়ৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে কালি সন্ধিয়া চাৰিং পথাৰত অভিযান চলাই ১৩ টাকৈ ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ জব্দ কৰাৰ লগতে সৰবৰাহকাৰীয়ে ব্যৱহাৰ কৰা এখন ই-ৰিক্সা জব্দ কৰে।

# ‘বিকাশৰ ১২ দিন’ কাৰ্যসূচীৰ অধীনত সোণাৰিত ছাত্ৰ-ছাত্ৰীৰ মাজত চাইকেল, স্কুটী বিতৰণ

**ই-সংবাদ, সোণাৰি, ১৭ ডিচেম্বৰঃ** অসমৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে আৰম্ভ কৰা ‘বিকাশৰ ১২ দিন’ কাৰ্যসূচীৰ অধীনত আজি চৰাইদেউ জিলাত মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰজ্ঞান ভাৰতী আঁচনিৰ অন্তৰ্গত বাণীকান্ত কাকতি বঁটাৰ জৰিয়তে স্কুটী বিতৰণ, আনন্দৰাম বৰুৱা বঁটাৰ অধীনত ধনৰাশি বিতৰণ আৰু চাইকেল বিতৰণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। সোণাৰি নগৰস্থিত ভগৱতী প্ৰসাদ বৰুৱা সোঁৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য, ৰাজহুৱা প্ৰতিষ্ঠান আৰু সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বড়াই তেওঁৰ বক্তব্যত কয় যে, অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা গ্ৰহণৰ বাট সুগম কৰাৰ হকে বিভিন্ন উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰি আহিছে। ড০ বাণীকান্ত কাকতি বঁটা, আনন্দৰাম বৰুৱা বঁটা আৰু চাইকেল প্ৰদান আঁচনি আদি ছাত্ৰ-ছাত্ৰীসকলৰ মেধাক স্বীকৃতি প্ৰদানৰ লগতে শৈক্ষিক উত্তৰণৰ দিশত অসম চৰকাৰে গ্ৰহণ কৰা একো একোটা উল্লেখনীয় পদক্ষেপ বুলি তেওঁ উল্লেখ কৰে। আনন্দৰাম বৰুৱা আৰু ড০ বাণীকান্ত কাকতিৰ চিৰস্মৰণীয় অৱদানৰ বিষয়ে শ্ৰদ্ধাৰে সুঁৱৰাৰ লগতে তেওঁ ছাত্ৰ-ছাত্ৰীসকলক এইসকল মহান মনীষীৰ জীৱনাদৰ্শৰ দ্বাৰা উদ্বুদ্ধ হৈ নিজক উজ্জ্বল ভৱিষ্যতৰ দিশে ধাবিত হ'বলৈ আহ্বান জনায়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক সম্পূৰ্ণ নিষ্ঠা, একাগ্ৰতা আৰু অধ্যৱসায়ৰ বলত নিজৰ শ্ৰেষ্ঠতম প্ৰদৰ্শন দাঙি ধৰি নিজকে প্ৰতিষ্ঠিত কৰি সমাজৰ হিতৰ হকে কাম কৰিব পৰাকৈ সাজু হ'বলৈ অনুপ্ৰাণিত কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম ঔদ্যোগিক উন্নয়ন নিগমৰ অধ্যক্ষ তথা যোৰহাট লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈয়ে তেওঁৰ বক্তব্যত কয় যে অসম চৰকাৰে গ্ৰহণ কৰা এনেধৰণৰ পদক্ষেপৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ মেধাই প্ৰাপ্য স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। এয়া নিশ্চয়কৈ এক আদৰণীয় পদক্ষেপ বুলি উল্লেখ কৰি তেওঁ ছাত্ৰ-ছাত্ৰীসকলক এনেধৰণৰ উদগনিৰ দ্বাৰা উৎসাহিত হৈ নিজৰ উজ্জ্বল ভৱিষ্যত গঢ়াৰ দিশে দুগুণ উৎসাহেৰে আগবাঢ়ি যাবলৈ আহ্বান জনায়। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি জিলা আয়ুক্ত ডাঃ নেহা যাদৱে কয় যে, ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰৰ উন্নয়ন আৰু ছাত্ৰ-ছাত্ৰীৰ মেধাক যোগ্য স্বীকৃতি প্ৰদানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ এই পদক্ষেপসমূহে নিশ্চয়কৈ অদূৰ ভৱিষ্যতত একো একোটা মাইলৰ খুঁটি ৰূপে চিহ্নিত হ'ব। তেওঁ অৱগত কৰে যে, আজি জিলাখনৰ ৭০০ৰো অধিক মেধাৱী ছাত্ৰ-ছাত্ৰীক বাণীকান্ত কাকতি বঁটাৰ অধীনত স্কুটী প্ৰদান, ৩৭৮ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীক আনন্দৰাম বৰুৱা বঁটা প্ৰদান আৰু নৱম শ্ৰেণীত অধ্যয়নৰত ৪০১৬ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত চাইকেল বিতৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আনন্দৰাম বৰুৱা বঁটাৰ অন্তৰ্গত মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক ১২,৫০০ টকাকৈ নিজ নিজ বেংক একাউন্টত প্ৰত্যক্ষৰূপে হস্তান্তৰ (DBT) মাধ্যমেৰে প্ৰদান কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে। ছাত্ৰ-ছাত্ৰীসকলে চৰকাৰে আগবঢ়োৱা উৎসাহ আৰু উদগনিক সমল হিচাপে গ্ৰহণ কৰি নিজ উদ্যমিতা, একাগ্ৰতা আৰু নিষ্ঠাৰ বলত কৰ্মযজ্ঞত আত্মনিয়োগ কৰি সফলতাৰ শিখৰ আৰোহণ কৰিব পৰিব বুলিও তেওঁ দৃঢ় বিশ্বাস ব্যক্ত কৰে। আজিৰ অনুষ্ঠানত সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, আৰক্ষী অধীক্ষক সুৰজিৎ সিং পানেছৰ, অতিৰিক্ত জিলা আয়ুক্ত সোণতৃষ্ণা ঘৰফলীয়া, সোণাৰি ৰাজহ চক্ৰৰ চক্ৰ বিষয়া নম্ৰতা দাস, সহকাৰী আয়ুক্তসকল উৰ্বশী চেতিয়া, ৰিণী হাজৰিকা, বৰ্ষা শইকীয়া, সোণাৰি, লাকুৱা, মাহমৰা আৰু সাপেখাতিৰ খণ্ড উন্নয়ন বিষয়াত্ৰয় বৰ্ণালী ফুকন, অন্তৰা হুছেইন, উৎপল দত্ত, বনজ্যোৎস্না বৰগোহাঁই, বিদ্যালয়সমূহৰ পৰিদৰ্শক বিন্তী শৰ্মা, সোণাৰি আৰু মৰাণ পৌৰসভাৰ পৌৰপতিদ্বয় তিলক চন্দ্ৰ নেওগ আৰু অৰূপ দত্ত, এপিজিচিএলৰ স্বতন্ত্ৰ সঞ্চালক অনুপ সিং ৰাজপুৰোহিত, জিলা প্ৰশাসন আৰু বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰী, হিতাধিকাৰীসকল, ছাত্ৰ-ছাত্ৰী তথা তেওঁলোকৰ অভিভাৱক আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# পুনৰ একেদিনাই ৭ টাকৈ কামৰ শুভাৰম্ভ বিধায়ক আব্দুল বাতিন খন্দকাৰৰ, মন্ত্ৰীক প্ৰশংসা কৰি চৰকাৰক সমালোচনা

**ই-সংবাদ, কোকিলা, ১৭ ডিচেম্বৰঃ** মডেল অংগনবাড়ী কেন্দ্ৰৰ গৃহ ইমানেই সুন্দৰ হৈছে যে বিভাগীয় মন্ত্ৰীক প্ৰশংসা নকৰিলে অপৰাধ হ'ব, কিন্তু ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে উন্নয়নমূলক কাম কৰাৰ পৰিৱৰ্তে সাম্প্ৰদায়িক ৰাজনীতি কৰি সমাজখন ভাগ ভাগ কৰি আছে।- এই মন্তব্য বিধায়ক আব্দুল বাতিন খন্দকাৰৰ। উত্তৰ অভয়াপুৰী সমষ্টিৰ বিধায়ক তথা কংগ্ৰেছৰ জ্যেষ্ঠ মুখপাত্ৰ আব্দুল বাতিন খন্দকাৰে কোকিলা ২য় খণ্ডত মডেল অংগনবাড়ী কেন্দ্ৰৰ গৃহৰ শুভাৰম্ভ কৰি এইদৰে কয়। বিধায়কজনে লগতে কয় যে শিশুসকল দেশৰ ভৱিষ্যত নাগৰিক, এনেকুৱা মডেল অংগনবাড়ী কেন্দ্ৰত পাঠদান কৰিলে অধিক লাভৱান হ'ব। বঙাইগাঁও জিলাৰ উত্তৰ অভয়াপুৰী সমষ্টিৰ বিধায়ক আব্দুল বাতিন খন্দকাৰে দুটা মডেল অংগনবাড়ী কেন্দ্ৰৰ গৃহসহ ৭টাকৈ কামৰ শুভাৰম্ভ কৰে। বিধায়কজনে ২০২৩-২৪ বৰ্ষৰ পঞ্চদশ বিত্তীয় আয়োগৰ ৩ লাখ ২০ হাজাৰ টকাৰে শৌলমাৰী প্ৰাথমিক বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নীতকৰণৰ কাম, একেই বৰ্ষৰ একেই আঁচনিৰ ৫ লাখ ৪০ হাজাৰ টকা ব্যয়ৰে অতিৰিক্ত শ্ৰেণীকোঠা কামৰ শুভাৰম্ভ কৰে। একেই বৰ্ষৰ একেই আঁচনিৰ ২লাখ ৩৭ হাজাৰ টকা ব্যয়ৰে কোকিলা উত্তৰপাৰা







এমইএম স্কুলৰ আন্তঃগাঁথনি উন্নীতকৰণৰ কামৰো শুভাৰম্ভ কৰে। একেদৰে ২০২২-২৩ বৰ্ষৰ পঞ্চদশ বিত্তীয় আয়োগৰ অলৰেদাৰ ৰাস্তাৰ পৰা নাম্বাৰপাৰা গড়কাপ্তানী ৰাস্তা চৰ নাম্বাৰপাৰা প্ৰাথমিক বিদ্যালয়লৈ যোৱা ৰাস্তাৰ বাবদ আবণ্টন পোৱা ২,২২,৩০০ টকাৰ কামৰ শুভাৰম্ভ কৰে। একেদৰে বিধায়ক উন্নয়ন পুজিৰ ২০২৩-২৪ বৰ্ষৰ ছামাদ মাষ্টৰৰ ঘৰৰ পৰা চাকলা-কোকিলা ৰাস্তালৈ যোৱা ৰাস্তাৰ বাবে আবণ্টন দিয়া ২ লাখ ৫০ হাজাৰ টকাৰ কামৰ আধাৰশিলা স্থাপন কৰে। আনহাতে, ২৫ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা কোকিলা ২য় খণ্ড আৰু চাকলা ২য় খণ্ডৰ মডেল অংগনবাড়ী কেন্দ্ৰৰ গৃহ পাঠদানৰ বাবে শুভাৰম্ভ কৰে বিধায়কজনে। মডেল অংগনবাড়ী কেন্দ্ৰৰ গৃহৰ শুভাৰম্ভ কৰি বিধায়কজনে বিভাগীয় মন্ত্ৰীক প্ৰশংসা কৰে। বিধায়কজনে পুনৰ ৭ টাকৈ কামৰ শুভাৰম্ভ কৰাত স্থানীয় লোকে প্ৰশংসা কৰিছে। উল্লেখ্য যে কেইদিনমান পূৰ্বে ভাণ্ডাৰা গাঁও পঞ্চায়তত ৮টাকৈ কামৰ আধাৰশিলা স্থাপন কৰি বিধায়কজন স্থানীয় লোকৰ প্ৰশংসাৰ পাত্ৰ হৈ পৰিছিল। কংগ্ৰেছী বিধায়ক হৈয়ো খন্দকাৰে অভিলেখ সংখ্যক সমষ্টিত কাম কৰাত অধিকাংশ লোকে কৰ্মপটু বিধায়ক আখ্যা দিয়ে যদিও আন একাংশই মুখ্যমন্ত্ৰীৰ লগত মধুৰ সম্পৰ্ক থকা বুলিও অভিযোগ তুলিছে।

# সৰুপথাৰৰ নাওজানত দুৰ্ঘটনা, দুজন আহত

**ই-সংবাদ, সৰুপথাৰ, ১৭ ডিচেম্বৰঃ** সৰুপথাৰ সমজিলাৰ নাওজানৰ ২নং কৈৰী গাঁৱৰ টেঙাবাৰী বৰ নামঘৰৰ সমীপত আজি দিনৰ প্ৰায় ১ বজাত সংঘটিত এক পথ দুৰ্ঘটনাত দুজন লোক গুৰুতৰভাৱে আহত হোৱাৰ বাতৰি পোৱা গৈছে। জানিব পৰা মতে, এখন তীব্ৰবেগী মটৰ চাইকেল আৰু এখন মাল পৰিবাহী বাহনৰ মাজত মুখামুখি সংঘৰ্ষ হোৱাৰ ফলতে উক্ত দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাত পতিত হোৱা এ এছ-০৫ এক্স-১৩০০ নম্বৰৰ বাইক আৰোহী দুজন ক্ৰমে নাওজানৰ জুৰাহিৰ আলী আৰু সমৰ আলীক সংকটজনক অৱস্থাত বোকাজানৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। ইপিনে, দুৰ্ঘটনা সংঘটিত কৰা এ এছ-০৫ এ চি-৫০৪৭ নম্বৰৰ টাটা এচিখনৰ চালকজন বাহনখন ঠাইতে এৰি ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ইতিমধ্যে সৰুপথাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ বাহনকেইখন জব্দ কৰাৰ লগতে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে। স্থানীয় লোকৰ মতে পথছোৱা অতি ঠেক হোৱাৰ বাবে অঞ্চলটোত এনে ধৰণৰ দুৰ্ঘটনা প্ৰায়ে সংঘটিত হ'বলৈ আৰম্ভ কৰিছে।

# মুছলপুৰত মধ্যাহ্ন ভোজন কৰ্মচাৰী সন্থাৰ বিক্ষোভ কাৰ্যসূচী

**ই-সংবাদ, মুছলপুৰ, ১৭ ডিচেম্বৰঃ** সদৌ অসম মধ্যাহ্ন ভোজন কৰ্মচাৰী সন্থাৰ আহ্বানত আজি বাক্সা জিলাৰ মুছলপুৰত বাক্সা জিলা মধ্যাহ্ন ভোজন কৰ্মচাৰী সন্থাই দুই ঘণ্টীয়া বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। পাঁচ দফীয়া দাবী পূৰণ কৰাৰ দাবীত মধ্যাহ্ন ভোজন কৰ্মচাৰী সন্থাই ৰূপায়ণ কৰে বিক্ষোভ কাৰ্যসূচী। মধ্যাহ্ন ভোজন কৰ্মচাৰীসকলৰ মাননি দহ হাজাৰলৈ বৃদ্ধি কৰা, এককালীন সাহায্য প্ৰদান কৰা, কৰ্মৰত অৱস্থাত আহত হ'লে চিকিৎসাৰ ব্যৱস্থা কৰা, প্ৰতিশ্ৰুতি অনুসৰি মুখ্যমন্ত্ৰীয়ে বাজেট অধিৱেশনত বান্ধনীসকলৰ মাননি বৃদ্ধিৰ প্ৰস্তাৱ লোৱাকে ধৰি পাঁচটা দাবীৰ সমৰ্থনত কৰ্মচাৰী সন্থাই জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদান কৰে। ইয়াৰ পূৰ্বে সন্থাৰ পাঁচ শতাধিক সদস্যই সমদল কৰি গৈ বাক্সা জিলা আয়ুক্ত কাৰ্যালয় ঘেৰাও কৰি বিভিন্ন শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। বাক্সা জিলা মধ্যাহ্ন ভোজন কৰ্মচাৰী সন্থাৰ সম্পাদিকা ভনিতা ৰয় মেধিয়ে ৰাজ্য চৰকাৰৰ মুখ্যমন্ত্ৰীক প্ৰতিশ্ৰুতি ৰক্ষা কৰি মধ্যাহ্ন ভোজন কৰ্মচাৰীসকলৰ মাননি বৃদ্ধি কৰিবলৈ সমাগত বাজেট অধিৱেশনত প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ দাবী জনায়।



বৰ্ষা বিঘ্নিত ব্ৰীছবেন টেষ্ট, অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে এতিয়াও পিছ পৰি আছে ভাৰত, ফটো মঙলবাৰৰ

# দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মৰিগাঁও বিহুতলীত নাথ সাহিত্য সমাৰোহৰ আয়োজন

**ই-সংবাদ, মৰিগাঁও, ১৭ ডিচেম্বৰঃ** অসমৰ অতি প্ৰাচীন খিলঞ্জীয়া জনগোষ্ঠী নাথ যোগীসকলৰ সাহিত্য আৰু সংস্কৃতি সংৰক্ষণৰ ক্ষেত্ৰত চৰকাৰক অধিক গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনাইছে নাথ সাহিত্য সংস্কৃতি সন্মিলনৰ সভাপতি লক্ষ্যজ্যোতি নাথ, প্ৰধান সম্পাদক জিতুমনি নাথ আৰু নাথ সাহিত্য সভাৰ সভাপতি ড০ হৰকুমাৰ নাথ, সম্পাদক হিৰণ্য কুমাৰ নাথে। নাথ সাহিত্য আৰু সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কাম কৰি অহা খিলঞ্জীয়া জনগোষ্ঠীটোৰ সংগঠন দুটাই নাথ সাহিত্য আৰু সংস্কৃতিসমূহ প্ৰচাৰ আৰু প্ৰসাৰ তথা সংৰক্ষণৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰি অহা ২৭ আৰু ২৮ ডিচেম্বৰত মৰিগাঁও বিহুতলীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰিছে 'নাথ সাহিত্য সমাৰোহ ২০২৪'। এই উপলক্ষে মঙলবাৰে পুৱা ৭ বজাত ধৰ্মীয় ৰীতি-নীতিয়ে সমাৰোহৰ লাইখুঁটা স্থাপন কৰে নাথ সাহিত্য সংস্কৃতি সন্মিলনৰ উপদেষ্টা গদাধৰ নাথে। ইতিমধ্যে সাহিত্য সমাৰোহখনি সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বসন্ত কুমাৰ নাথক সভাপতি, ৰমেন নাথ আৰু ড০ বিজয় কুমাৰ নাথক কাৰ্যকৰী সভাপতি, ধৰ্মকান্ত নাথক প্ৰধান সম্পাদক, বিজয় কুমাৰ নাথ, দিপুল কুমাৰ নাথ, অনুপম নাথ, পোনাৰাম নাথ, নৃপেন নাথক সম্পাদক হিচাপে লৈ গঠিত ১৯ খনকৈ উপ-সমিতিয়ে দ্ৰুতগতিত প্ৰস্তুতি চলাই আছে। নাথ সাহিত্য আৰু সংস্কৃতি সংৰক্ষণৰ ক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক অলপতে নাথ সাহিত্য সংস্কৃতি সন্মিলনৰ এটা প্ৰতিনিধি দলে সাক্ষাৎ কৰি বিষয়টো অৱগত কৰাত মুখ্যমন্ত্ৰীয়ে বিষয়টোৰ ওপৰত গুৰুত্ব প্ৰদান কৰি জনগোষ্ঠীটোৰ বিশাল সাহিত্য আৰু সংস্কৃতিৰ দিশটো সংৰক্ষণৰ ক্ষেত্ৰত ইতিবাচক সঁহাৰি জনোৱাত নাথ সাহিত্য সমাৰোহৰ উদযাপন সমিতিয়ে অসমৰ মুখ্যমন্ত্ৰীগৰাকীক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। ইফালে, সমাৰোহৰ ঘোষিত কাৰ্যসূচী অনুসৰি ২৭ ডিচেম্বৰৰ পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বন্তি প্ৰজ্বলন, গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীদ্বাৰ উন্মোচন, স্বাস্থ্য শিবিৰ উদ্বোধন, ভোজনালয়দ্বাৰ উন্মোচন, স্বাস্থ্য শিবিৰ উদ্বোধন, মূল মঞ্চ উদ্বোধন, কবিতা পাঠ অনুষ্ঠান, নাথ যোগী জাতীয় পৰিষদৰ উদ্যোগত সাম্প্ৰতিক পৰিস্থিতিত স্বজাতীয় উত্তৰণ বিষয়ক আলোচনা সভা, সাংস্কৃতিক অনুষ্ঠান, নাথ সাহিত্য সভাৰ সাহিত্য বৈঠক, যোগ প্ৰদৰ্শন, নাথ-যোগীসকলৰ পৰম্পৰাগত লোকসংস্কৃতি প্ৰদৰ্শনকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ অনুষ্ঠান অনুষ্ঠিত হ'ব। ২৮ ডিচেম্বৰৰ পুৱা ১০ বজাত সাংস্কৃতিক শোভাযাত্ৰা, দিনৰ ১১ বজাত নাথ সাহিত্য সভাৰ সভাপতি ড০ হৰকুমাৰ নাথৰ সঞ্চালনাত অনুষ্ঠিত হ'বলগীয়া অসমীয়া ধ্ৰুপদী সাহিত্যৰ বিকাশত নাথ সাহিত্যৰ ভূমিকা শীৰ্ষক আলোচনা চক্ৰখনি উদ্বোধন কৰিব ভীমবৰ দেউৰী বঁটাপ্ৰাপক সাহিত্যিক মিলেশ্বৰ পাতৰে। মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য ড০ ডম্বৰুধৰ নাথে মুখ্য আলোচক হিচাপে অংশগ্ৰহণ কৰিব লগীয়া আলোচনা চক্ৰখনিত আলোচক হিচাপে উপস্থিত থাকিব বিশিষ্ট সাহিত্যিক ড০ নন্দসিং বৰকলা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ প্ৰফুল্ল কুমাৰ নাথ, সাহিত্যিক প্ৰশান্ত নাথৰ লগতে তিৱা, বড়ো, দেউৰী, ৰাভা সাহিত্য সভাৰ নেতৃত্বই অংশগ্ৰহণ কৰিব। উক্ত আলোচনা চক্ৰত 'যোগী চৰিত', 'নাথ সংস্কৃতি আৰু ঐতিহ্য' শীৰ্ষক দুখন গ্ৰন্থও উন্মোচন কৰা হ'ব। আবেলি ২ বজাত নাথ সাহিত্য সংস্কৃতি সন্মিলনৰ সভাপতি লক্ষ্যজ্যোতি নাথৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাখন উদ্বোধন কৰিব মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে। অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ, জলসম্পদ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিবলগীয়া মুকলি সভাখনত অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, সাংস্কৃতিক,উদ্যোগ, বাণিজ্য বিভাগৰ মন্ত্ৰী বিমল বৰা, অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচা, নগাঁও সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, অসম প্ৰাদেশিক যোগী সন্মিলনীৰ সভাপতি ধীৰেন নাথ, নাথ যোগী উন্নয়ন পৰিষদৰ অধ্যক্ষ বেণুধৰ নাথসহ বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। মুকলি সভাত জনপ্ৰিয় কণ্ঠশিল্পী কৃষ্ণমণি নাথক বিশেষভাৱে সম্বৰ্ধনা জনোৱাৰ লগতে স্মৃতিগ্ৰন্থও উন্মোচন কৰা হ'ব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ পিছতেই জনপ্ৰিয় কণ্ঠশিল্পী দীক্ষুৰ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে। সমাৰোহখনি সফল কৰিবলৈ ৰাইজৰ সহায় কামনা কৰিছে উদ্যোক্তাই।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com,
যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি